সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা


Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৩৮ সংখ্যা, ২ আহিন , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 38 Date of Publication- 2 September 2026 Rs. 10.00/-

## জনসমুদ্ৰত পৰিণত হ'ল জুবিনক্ষেত্ৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অগণন মানুহ । সকলো মাথো আহিছে সোণাপুৰৰ জুবিন ক্ষেত্ৰলৈ। কাৰণ জুবিন ক্ষেত্ৰত আছে অসমীয়াৰ প্ৰাণ, অসমীয়াৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰৱ জুবিন গাৰ্গ। জনসমুদ্ৰত পৰিণত হ'ল সোণাপুৰৰ জুবিনক্ষেত্ৰ। ১৯ ছেপ্টেম্বৰৰ অভিশপ্ত দিনটোত অসমবাসীক কন্দুৱাই চিৰকালৰ বাবে বিদায় লোৱা ঈশ্বৰপুত্ৰৰ শেষ ঠিকনা সোণাপুৰৰ জুবিনক্ষেত্ৰ। বিগত এটা বছৰে বুকুত অযুত আবেগ, অভিমান কঢ়িওৱা অগণিত অসমীয়াই প্ৰথম মৃত্যুবাৰ্ষিকীৰ দিনটোত সোণাপুৰৰ জুবিনক্ষেত্ৰত ( দুই পৃষ্ঠাত চাওক)

## জাতীয় বিদ্যালয়ৰ ৬ লক্ষাধিক শিক্ষাৰ্থীয়ে একেলগে পৰিবেশন কৰিলে 'দিয়া ঘূৰাই দিয়া...'



ৰঙিলী বাৰ্ত্তাসেৱা- অসম জাতীয় বিদ্যালয়ৰ ছয় লক্ষাধিক ছাত্ৰ-ছাত্ৰীয়ে সমস্বৰে জুবিন গাৰ্গৰ জনপ্ৰিয় গীত 'দিয়া ঘূৰাই দিয়া' পৰিবেশন কৰি জুবিন দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ আৰু জুবিন গাৰ্গ ফাউণ্ডেশ্যনৰ যুটীয়া উদ্যোগত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। ৰাজ্যৰ প্ৰতিখন জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য যে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ আৰু জুবিন গাৰ্গ ন্যাসৰ উদ্যোগত সমগ্ৰ অসমত 'জুবিন দিৱস' পালন কৰা হয়। ইয়াৰ লগত (দহ পৃষ্ঠাত চাওক)

## উন্নয়নশীল ৰাষ্ট্ৰসমূহক ভুলকৈ দোষাৰোপ কৰা হয়ঃ প্ৰধানমন্ত্ৰী মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- সমস্যাটো সমগ্ৰ বিশ্বৰে। কিন্তু বেছিভাগ সময়তে দায় জাপি দিয়া হয় ভাৰতৰ ওপৰত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জলবায়ু পৰিৱৰ্তন আৰু কাৰ্বন নিৰ্গমনৰ দৰে গোলকীয় সমস্যাৰ বাবে ভাৰতসহ উন্নয়নশীল দেশসমূহক অন্যায়ভাৱে দোষাৰোপ কৰাৰ বিৰুদ্ধে গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে। শনিবাৰে নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণ (NGT)ৰ দ্বাৰা ( দুই পৃষ্ঠাত চাওক)

## এজন মানুহৰ পৰা হাজাৰ হাজাৰ মানুহৰ মনত থকা এটা সত্তা হ'ল জুবিন গাৰ্গঃ গৰিমা গাৰ্গ



ৰঙিলী বাৰ্ত্তাসেৱা- অমৃতকণ্ঠৰ জয়ধ্বনিৰে অসম জুবিনময় হৈ পৰাৰ ক্ষণতে প্ৰিয়তমক সুঁৱৰি আৱেগিক হৈ পৰিল শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গ। জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীত সোণাপুৰৰ জুবিন ক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি জনাই তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গয়ে কয় যে জুবিন এতিয়া কেৱল এজন ব্যক্তি হৈ থকা নাই, তেওঁ হাজাৰ হাজাৰ জনলৈ ৰূপান্তৰিত হৈছে আৰু সৰ্বত্ৰ বিয়পা এক বিশাল সত্তাত পৰিণত হৈছে। জুবিন গাৰ্গ নামৰ সত্তাটো অবিহনে এবছৰীয়া বৰ্ষপূৰ্তিত ৰাইজে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ নিজস্ব ধৰণে স্মৰণ কৰাৰ সময়তে ৰাইজৰ আৱেগ দেখি বিস্ময়ান্বিত হৈ পৰে (দহ পৃষ্ঠাত চাওক)

## কোচবিহাৰৰ ঐতিহ্যমণ্ডিত মধুপুৰ সত্ৰ পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ স্মৃতি বিজড়িত কোচবিহাৰৰ মধুপুৰ সত্ৰ পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই পৰিদৰ্শন কালতে বটদ্ৰৱা সত্ৰৰ দৰে কোচ-বিহাৰৰ ঐতিহ্যমণ্ডিত মধুপুৰ সত্ৰকো অন্যতম পৰ্যটনস্থলী হিচাপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শেষ ঠিকনা মধুপুৰ সত্ৰতে জীৱনৰ অন্তিম দিন পাৰ কৰিছিল। ঐতিহ্যমণ্ডিত এই সত্ৰখন পৰিদৰ্শন কৰাৰ লক্ষ্যৰে দুদিনীয়া কাৰ্যসূচীৰে কোচবিহাৰত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° শৰ্মা । ঐতিহ্যমণ্ডিত সত্ৰখন পৰিদৰ্শনৰ পাছতে সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে- কোচবিহাৰৰ মধুপুৰ সত্ৰ আমাৰ সভ্যতা, সংস্কৃতি আৰু গুৰুজনাৰ মহান আদৰ্শৰ এক জীৱন্ত প্ৰতীক। একশৰণ নামধৰ্মৰ ভক্তি, সমতা, জ্ঞান আৰু সাংস্কৃতিক সমন্বয়ৰ বাণী আজিও এই পবিত্ৰ ভূমিৰ পৰা অনুৰণিত হৈ আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনা, শ্ৰী শ্ৰীমাধৱদেৱ গুৰুজনা আৰু শ্ৰী শ্ৰীদামোদৰদেৱ গুৰুজনাৰ পবিত্ৰ স্মৃতিৰে ধন্য মধুপুৰৰ পবিত্ৰ ভূমিৰ সৈতে প্ৰতিগৰাকী অসমীয়াৰ এক গভীৰ আৱেগিক সম্পৰ্ক আছে। গুৰুজনাই জীৱনৰ অন্তিম সময়খিনি মধুপুৰতে কটাব বিচৰাটোৱেও এই স্থানৰ মহত্ত্ব আৰু ঐতিহাসিক গুৰুত্বক অধিক গভীৰ কৰি তুলিছে। বিকাশৰ সমান্তৰালভাৱে ঐতিহ্য সংৰক্ষণক আগুৱাই নি মধুপুৰ সত্ৰৰ সংৰক্ষণ, সৌন্দৰ্যবৰ্ধন আৰু সামগ্ৰিক উন্নয়নৰ বাবে আমি এক বিস্তৃত পৰিকল্পনাৰে আগবাঢ়িছোঁ। এইক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন পশ্চিম বংগ চৰকাৰৰ সহযোগিতা আৰু সমন্বয়ো অত্যন্ত গুৰুত্বপূৰ্ণ। আজি মধুপুৰ সত্ৰত পশ্চিম বংগ চৰকাৰৰ মাননীয় মন্ত্ৰী শ্ৰীনিশিথ প্ৰামাণিক আৰু শ্ৰীমালতী ৰাভা ৰয় তথা সতীৰ্থ মন্ত্ৰী শ্ৰীঅশোক সিংহল আৰু শ্ৰীঅশ্বিনী ৰায় সৰকাৰৰ সৈতে এই ঐতিহাসিক স্থানৰ সংৰক্ষণ আৰু উন্নয়নৰ বিভিন্ন দিশত আলোচনা ( দুই পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত মহিলা টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগিতাত বোকাখাত জিলা দল মাগুলিক চেম্পিয়ন




ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত তথা অসম ক্ৰিকেট সন্থাৰ তত্বাৱধানত জালান আউটডৰ ষ্টেডিয়ামত অনুষ্ঠিত কনকলতা বৰুৱা মহিলা টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগিতাত বোকাখাত জিলা দল মাগুলিক চেম্পিয়ন হয়। আজি অনুষ্ঠিত মাগুলিক ফাইনেল খেলত বোকাখাত জিলা দলে ঘৰুৱা দল ডিব্ৰুগড়ক শোচনীয় ভাৱে ১০ উইকেটত পৰাস্ত কৰে। ডিব্ৰুগড় দলে টছত জিকি প্ৰথমে বেট ধৰি ১৪.৪ অভাৰতে আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫১ ৰান কৰে। দলৰ হৈ স্বাস্তি বিশ্বকৰ্মাই সৰ্বাধিক ১৪ ৰান কৰে। বোকাখাতৰ অমন্তিকা মুড়াই সৰ্বাধিক ৪ টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত বোকাখাত জিলা দলে (দহ পৃষ্ঠাত চাওক)

# জনসমুদ্ৰত পৰিণত হ'ল

শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে প্ৰাণৰ শিল্পীগৰাকীক। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সমস্বৰে সকলোৱে গালে প্ৰিয় শিল্পীৰ অমৰ সৃষ্টি 'মায়াবিনী ৰাতিৰ বুকুত'। অসমীয়াৰ প্ৰাণ আছিল জুবিন গাৰ্গ। তেওঁৰ অবৰ্তমানত অসমীয়াৰ প্ৰতিটো দিনেই যেন উকা। জুবিন গাৰ্গৰ বছৰেকীয়া অনুষ্ঠান যদিও ই কিছু ব্যতিক্ৰম। শনিবাৰে পুৱাৰে পৰা জুবিন ক্ষেত্ৰ লোকাৰণ্য হৈ পৰিছে। দল-সংগঠনৰ পৰা আদি কৰি ৰাজনৈতিক নেতা, সৰু-বৰ সকলো মানুহ আহিছে জুবিন ক্ষেত্ৰলৈ কোনোবাই খোজকাঢ়ি বা চাইকেল চলাই দূৰ-দূৰণিৰ পৰা উপস্থিত হ'ল প্ৰিয় শিল্পীৰ সান্নিধ্য বিচাৰি। কায়িকভাৱে তেওঁ আজি নাই যদিও জুবিনক্ষেত্ৰত ৰাইজে যেন বিচাৰি পাইছে শিল্পীগৰাকীৰ অশৰীৰী সত্তা। জুবিন গাৰ্গৰ সান্নিধ্য বিচাৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অগণন অনুৰাগীৰ সোঁত বৈছে। উজনি-নামনি দুয়োফালৰ পৰা অহা অসংখ্য বাহনৰ বাবে তীব্ৰ যান-জটৰ সৃষ্টি হৈছে ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত। কিন্তু অমৃতকণ্ঠৰ সান্নিধ্য লাভৰ অদমনীয় আকাংক্ষাই এই সকলোবোৰ প্ৰত্যাহ্বানক নিমিষতে নস্যাৎ কৰিছে। ভিৰৰ মাজতে নিজৰ বাহন এৰি পদব্ৰজে ঈশ্বৰপুত্ৰৰ আশিস গ্ৰহণৰ বাবে ধাৱমান হৈছে ৰাইজ। উল্লেখ্য যে যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা তিনিদিনীয়াকৈ জুবিনক্ষেত্ৰত পালন কৰা হৈছে প্ৰথম মৃত্যুবাৰ্ষিকী। জুবিন দিৱসৰ অন্তিম দিনটোত দুচকুত এসোতা অশ্ৰু বান্ধি জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ৰাইজ ধাৱমান হৈছে জুবিনক্ষেত্ৰলৈ। জীৱিত সময়ছোৱাত তেওঁ কৈছিল- মোৰ কোনো জাতি নাই, ধৰ্ম নাই। এই বাক্যশাৰীক সাৰোগত কৰিয়েই আজি সমাজৰ প্ৰতিটো স্তৰৰ অনুৰাগীয়ে জুবিনক্ষেত্ৰলৈ আহিছে। ন-ৰূপত সজাই তোলা জুবিনক্ষেত্ৰত হাজাৰ হাজাৰ অনুৰাগীয়ে নিজস্ব ধৰণে প্ৰিয় শিল্পীক স্মৰণ কৰিলে। শনিবাৰে পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ অনুষ্ঠিত কৰা হয় ভাগৱত পাঠ। তাৰ পিছতে নিশা ১০ বজাত অনুষ্ঠিত হয় ভাওনা কাৰ্যসূচী। নাম-প্ৰসংগৰ লগতে গীত-মাত, কবিতা আবৃত্তিৰ জৰিয়তে প্ৰিয় শিল্পীক শ্ৰদ্ধা জ্ঞাপন কৰিলে গুণমুগ্ধই। 'মায়াবিনী...' পৰিৱেশনেৰে হাজাৰ হাজাৰ অনুৰাগীয়ে এক মায়াময় পৰিৱেশৰ সূচনা কৰিলে জুবিনক্ষেত্ৰত। শনিবাৰে পুৱাৰ ভাগত জুবিনক্ষেত্ৰত উপস্থিত হৈ আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাই সেমেকা মনেৰে প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। আছুৰ মুখ্য উপদেষ্টা ড° ভট্টাচাৰ্যই কয় যে জুবিন গাৰ্গে ন্যায় পাবই লাগিব। অসমৰ প্ৰত্যেকজন লোকে বিচাৰে জুবিনে ন্যায় পোৱাটো। আছুৱেও এই কথাত সহমত। আছুৰ সভাপতি উৎপল শৰ্মাই কয় যে জুবিন গাৰ্গ আমাৰ মাজত নাই যদিও তেওঁৰ অৱদানক জীয়াই ৰাখিব লাগিব। নৱপ্ৰজন্মই জুবিন গাৰ্গৰ চিন্তা, আদৰ্শ, চেতনাক আগুৱাই নিব লাগিব। বিভিন্ন দল-সংগঠনৰ লগতে ৰাজ্যৰ অগণন গুণমুগ্ধই প্ৰিয় শিল্পীগৰাকীৰ স্মৰণত জুবিনক্ষেত্ৰত অৰ্পণ কৰে বিভিন্ন উপহাৰ। পুৱাৰে পৰা নাম পৰিৱেশনৰ লগতে হিন্দু-মুছলমান-খ্ৰীষ্টান-জৈন-শিখ সমন্বিতে বিভিন্ন ধৰ্মৰ লোকে প্ৰাণৰ শিল্পীগৰাকীৰ বিদেহ আত্মাৰ শান্তি কামনাৰে সৰ্বধৰ্ম প্ৰাৰ্থনাও অনুষ্ঠিত কৰে। অকল সেয়াই নহয়, শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ লগতে প্ৰাণৰ শিল্পীগৰাকীৰ হত্যাকাণ্ডৰ ন্যায় বিচাৰিও উত্তপ্ত হৈ পৰে জুবিনক্ষেত্ৰ। বহু লোকে শিল্পীগৰাকীৰ হত্যাৰ অভিযুক্তসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ দাবীৰে চৰকাৰক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়।

# কোচবিহাৰৰ ঐতিহ্যমণ্ডিত মধুপুৰ

কৰোঁ। আমাৰ বিশ্বাস, অসম আৰু পশ্চিম বংগ চৰকাৰৰ সহযোগিতাৰে মধুপুৰক বটদ্ৰৱাৰ আৰ্হিত এক বৃহৎ সামাজিক-সাংস্কৃতিক আৰু আধ্যাত্মিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিব পাৰিলে এই পৱিত্ৰ স্থান উত্তৰ-পূৰ্বাঞ্চলৰ এক গুৰুত্বপূৰ্ণ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰ্যটনস্থলী হিচাপে পৰিগণিত হ'ব। উল্লেখ্য যে সত্ৰ পৰিদৰ্শনৰ পাছতে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে মধুপুৰ সত্ৰ অসম আৰু পশ্চিমবংগৰ মাজত ঐতিহাসিক সাংস্কৃতিক সম্পৰ্ক আৰু সমন্বয়ৰ প্ৰতীক হিচাপে চিহ্নিত। ঐতিহাসিক সত্ৰখনৰ সামগ্ৰিক উন্নয়নৰ বাবে অসম আৰু পশ্চিমবংগ চৰকাৰে যৌথভাৱে কাম কৰাৰ পৰিকল্পনা লৈছে। প্ৰাৰম্ভিক পৰিকল্পনা অনুসৰি অসম চৰকাৰে ৩৫ কোটি টকা আৰু পশ্চিমবংগ চৰকাৰে ৩০ কোটি টকা আগবঢ়োৱাৰ চিন্তা-চৰ্চা কৰিছে। অৱশ্যে অতিৰিক্ত ভূমি লাভ কৰিলে প্ৰকল্পটো বৃহৎ পৰিসৰত ৰূপায়ণ কৰিব পৰা যাব। অতিৰিক্ত ভূমি লাভ কৰিলে মধুপুৰ সত্ৰক সমগ্ৰ উত্তৰ বংগৰ অন্যতম বৃহৎ পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিব পৰা যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াকো উল্লেখ কৰে যে পশ্চিমবংগ চৰকাৰৰ পৰা যদি অতিৰিক্তি ভূমি লাভ কৰিব পৰা নাযায়, তেন্তে সত্ৰৰ বৰ্তমানৰ ১৬ বিঘা অৰ্থাৎ প্ৰায় ৫ একৰৰ ভূমিৰ ভিতৰতে উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে পশ্চিম বংগৰ মন্ত্ৰী নিশীথ প্ৰামানিক আৰু মালতী ৰাভা ৰয়ৰ লগতে অসম চৰকাৰৰ মন্ত্ৰী অশোক সিংহল আৰু অশ্বিনী ৰায় সৰকাৰো উপস্থিত থাকে। উল্লেখ্য যে দুদিনীয়া কাৰ্যসূচীৰে ধুবুৰীত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলাখনত তামাৰহাটৰ ১০৮ বছৰীয়া ইতিহাস বিজড়িত তথা পুনঃনিৰ্মাণ কৰা ঐতিহাসিক তামাৰহাট দুৰ্গা মন্দিৰৰো শুভ উদ্বোধন কৰে।

# দিল্লী বিশ্ববিদ্যালয়ত এবিভিপিৰ বৃহৎ জয়



ৰঙিলী বাৰ্তাসেৱা- দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আৰএছএছ সমৰ্থিত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে চাৰিটা কেন্দ্ৰীয় পদৰ ভিতৰত তিনিটা পদতে জয়লাভ কৰিছে। আনহাতে এনএছইউআইৰ টিকটৰ পৰা বঞ্চিত প্ৰাক্তন এনএছইউআই সদস্য তথা নিৰ্দলীয় প্ৰাৰ্থী দীপাংশু ছোকিনে উপ-সভাপতি পদত বিজয়ী হয়। সভাপতি, সম্পাদক আৰু যুটীয়া সম্পাদক তিনিওটা পদতেই ছাত্ৰ সংগঠনটোৰ প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰে। একমাত্ৰ উপ-সভাপতিৰ পদটো তেওঁলোকৰ হাতৰ পৰা ওলাই যায়। তথাপি এই পদটোও জিকিবলৈ সমৰ্থ নহ'ল কংগ্ৰেছৰ ছাত্ৰ (নপৃষ্ঠাত চাওক)

# বছৰি প্ৰায় ৩, ০০০ কোটি কৰ আদায় বিচিচিআইৰ



ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে প্ৰতি বছৰে গড়ে প্ৰায় ৩, ০০০ কোটি টকা আয়কৰ হিচাপে চৰকাৰক প্ৰদান কৰে। শুকুৰবাৰে মুম্বাইত অনুষ্ঠিত ব'ৰ্ডৰ ৯৫ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত (AGM) বিচিচিআইৰ সম্পাদক দেৱজিৎ শইকীয়াই এই গুৰুত্বপূৰ্ণ তথ্য সদৰী কৰে। (নপৃষ্ঠাত চাওক)

# উন্নয়নশীল ৰাষ্ট্ৰসমূহক

আয়োজিত "দ্য ফিউচাৰ অৱ এনভাইৰনমেন্ট এণ্ড ক্লাইমেট ডাইনামিক্স" শীৰ্ষক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। ভাষণ মোদীয়ে কয়, 'আমি সকলোৱে জানো যে উন্নয়নশীল দেশসমূহৰ ওপৰত অতিৰিক্ত কাৰ্বন নিৰ্গমনৰ দোষ জাপি দিয়া হয়। কিন্তু ইতিহাস সাক্ষী আছে যে আজিলৈকে সমগ্ৰ বিশ্বত যি পৰিমাণৰ কাৰ্বন নিৰ্গমন হৈছে, ভাৰতত সেই হাৰ বহুগুণে কম। যোৱা ১২ বছৰ ধৰি পৰিৱেশগত ক্ষেত্ৰত অসাধাৰণ উন্নতি সাধন কৰিছে ভাৰতে। পৰিৱেশ ৰক্ষাৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ পুনৰ ব্যৱহাৰযোগ্য শক্তিক লৈ আমি বহু কাম কৰিছোঁ।' প্ৰধানমন্ত্ৰীয়ে দাবী কৰে যে জি-২০ দেশসমূহৰ মাজত একমাত্ৰ ভাৰতেই পেৰিছ জলবায়ু চুক্তিৰ সকলো চৰ্ত পূৰণ কৰিছে। তাকো সময়সীমা উকলি যোৱাৰ পূৰ্বেই। শত শত বছৰ ধৰি ভাৰত পৰিৱেশক লৈ বহু পৰিমাণে সচেতন হৈ আছে বুলি বাৰ্তা দিয়ে প্ৰধানমন্ত্ৰীয়ে। যুগ যুগ ধৰি তেনে সচেতনতা আছিল বাবেই আজিৰ পৃথিৱীত পৰিৱেশগত সমস্যাসমূহৰ সমাধান আঙুলিয়াই দিবলৈ সক্ষম হৈছে ভাৰত। তথাপি মোদীৰ স্পষ্ট বাৰ্তা যে পৰিৱেশক ৰক্ষা কৰিবলৈ হ'লে সমগ্ৰ বিশ্বই একেলগে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। উল্লেখ্য যে পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি কাৰ্বন নিৰ্গমন হৈ থাকে আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ চীনত। আমেৰিকাৰ দৰে ধনী আৰু উন্নত দেশসমূহো এইক্ষেত্ৰত কোনোগুণে কম নহয়; যথাক্ৰমে ৩৩.৯৮ আৰু ৰচ শতাংশ কাৰ্বন নিৰ্গমন হয় দুই মহাশক্তিধৰ দেশ ক্ৰমে চীন আৰু আমেৰিকাত। জনমূৰি হিচাপত এই হাৰ দুয়োখন দেশত ক্ৰমে ৯.২৪ আৰু ১৩.৮৩ টন। কিন্তু বিপুল জনসংখ্যাৰ দেশ হৈও ভাৰতত জনমূৰি কাৰ্বন নিৰ্গমনৰ পৰিমাণ মাত্ৰ ২.০৭শতাংশ। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে দৃঢ়তাৰে উল্লেখ কৰে যে জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ হ্ৰাস কৰি সৌৰ বিদ্যুৎ, হাইড্ৰ'জেন শক্তিৰ ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে ভাৰতে। মোদীৰ ভাষণত এই কথা স্পষ্ট হৈ পৰিছে যে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতে যথেষ্ট উদ্যোগ গ্ৰহণ কৰিছে। সেইবাবেই জলবায়ু সম্পৰ্কীয় সমস্যাৰ ক্ষেত্ৰত ভাৰতক কাঠগড়াত তোলাৰ চেষ্টাক কোনো কাৰণতে মানি ল'ব নোৱাৰি।

# মহানগীৰৰ পাণবজাৰত হেৰইনসহ তিনিজনক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্তা সেৱা- গুৱাহাটীৰ পাণবজাৰ আৰক্ষী থানাৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দলে চলোৱা এক অভিযানত ৰেলৱে ষ্টেচনৰ পৰা বুজন পৰিমাণৰ হেৰইনসহ তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। কেন্দ্ৰীয় গুৱাহাটী আৰক্ষী জিলা আৰু পাণবজাৰ থানাৰ এটা দলে গোপন সূত্ৰৰ পম খেদি গুৱাহাটী ৰেলৱে ষ্টেচনৰ ট্ৰেফিক কলনী অংশত এই অভিযান চলাইছিল। ডিমাপুৰৰ পৰা অহা ড্ৰাগছখিনি জব্দ কৰাৰ লগতে অভিযুক্তকেইজনক আটক কৰা হয়। অভিযানত তেওঁলোকৰ পৰা ১১৪.৬৯ গ্ৰাম হেৰ'ইন উদ্ধাৰ কৰাৰ ( পাঁচ পৃষ্ঠাত চাওক)

# জুবিন গাৰ্গক সোঁৱৰি জীৱনৰ ৰং ইউটিউব চেনেলৰ স্বত্বাধিকাৰী প্ৰণৱজ্যোতি চুতীয়াৰ মহানুভৱতা



ৰঙিলী বাৰ্তাসেৱা- শিৱসাগৰৰ বেতবাৰীত প্ৰণৱজ্যোতি চুতীয়াই পঞ্চমটো বাসগৃহ নিৰ্মাণ কৰি ১৯ তাৰিখে হস্তান্তৰ কৰিলে । প্ৰণৱ চুতীয়াৰ উদ্যোগত এটি অসহায় পৰিয়ালৰ বাবে আজি নিৰ্মাণ কৰি থকা বাসগৃহটি প্ৰদান কৰা হয়। প্ৰয়াত শিল্পী জুবিন গাৰ্গক সোঁৱৰি ১৯ ছেপ্টেম্বৰত গৃহটি পৰিয়ালটোক প্ৰদান কৰি ইশ্বৰপুত্ৰৰ সামাজিক নিদৰ্শন দাঙি ধৰিছে। সশস্ত্ৰ সীমা বলৰ জোৱানসকলে আৰু প্ৰণৱ জ্যোতি চুতীয়াৰ যৌথ উদ্যাগত নিৰ্মাণ কৰা ঘৰখন শ্বহীদ কেপ্টেইন জিন্তু গগৈৰ নামত উক্ত গৃহটি উচৰ্গা কৰাৰ লগতে সশস্ত্ৰ সীমা বলৰ জোৱানসকলে পূৰ্ণ সহযোগিতা আগবঢ়াইছে। গৃহটিত পৰিয়ালটোৰ প্ৰয়োজনীয় সামগ্ৰীসমূহো যোগান ধৰা হৈছে জুবিন গাৰ্গৰ সোঁৱৰণক মানৱীয় কৰ্মৰ মাজেৰে জীয়াই ৰখাৰ এই প্ৰয়াসে বেতবাৰীত সৃষ্টি কৰিছে আশাৰ এক নতুন ঠিকনা। লগতে এই কাৰ্যসূচীত স্থানীয় ৰাইজে উপস্থিত থাকি পৰিয়ালটোক উৎসাহিত কৰা লগতে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাৰ পূৰ্ণ সহযোগিতা আগবঢ়ায়।

# নগাঁও লোকসভা উপ-নিৰ্বাচনত তিনি কোটিপতিৰ যুঁজ

ৰঙিলী বাৰ্তাসেৱা- অহা ৬ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ১৬ ছেপ্টেম্বৰত অন্ত পৰে মনোনয়ন দাখিল পৰ্ব। উপ-নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ কুৰিগৰাকীতকৈ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে যদিও মূল ভোট যুদ্ধখন তিনিগৰাকী কোটিপতি প্ৰাৰ্থীৰ মাজতেই হ'ব বুলি চৰ্চা হৈছে। উপ-নিৰ্বাচনত অৱতীৰ্ণ হোৱা মূল তিনি প্ৰতিদ্বন্দ্বীয়েই হৈছে কোটিপতি। এই প্ৰাৰ্থী তিনিগৰাকী হৈছে বিজেপিৰ দেৱাশীষ শৰ্মা, এআইইউডিএফৰ বদৰুদ্দিন আজমল আৰু কংগ্ৰেছৰ শিৱামণি বৰা । তিনিওজন প্ৰাৰ্থীৰেই সম্পত্তিৰ মূল্য কোটি টকাৰ অধিক যদিও মনোনয়ন পত্ৰৰ সৈতে দাখিল কৰা শপতনামা অনুসৰি আটাইতকৈ ধনী প্ৰাৰ্থী হৈছে এআইইউডিএফৰ মৌলনা বদৰুদ্দিন আজমল । এ আই ইউ ডি এফৰ প্ৰাৰ্থী মৌলানা বদৰুদ্দিন আজমলে নিজৰ মনোনয়ন-পত্ৰৰ লগত দাখিল কৰা



শপতনামাত উল্লেখ কৰা তথ্য অনুসৰি, আজমলৰ মুঠ অস্থাৱৰ সম্পত্তিৰ পৰিমাণ ৭৮ কোটি ১০ লাখ ৩১ হাজাৰ ৪৫৫ টকা। আনহাতে, তেওঁৰ পত্নীৰ অস্থাৱৰ সম্পত্তিৰ পৰিমাণ ৩১ লাখ ৭২ হাজাৰ ৯৮৮ টকা। ইপিনে, আজমলৰ স্থাৱৰ সম্পত্তিৰ পৰিমাণ ১৭৮ কোটি ৮৪ লাখ ২৪ হাজাৰ ৬৪ টকাৰ বিপৰীতে পত্নীৰ স্থাৱৰ সম্পত্তিৰ পৰিমাণ তিনি কোটি ৮৩ লাখ ৯২ হাজাৰ ১৭ টকা। কিন্তু বহু কোটি টকা-সম্পত্তিৰ গৰাকী বদৰুদ্দিন আজমলৰ হাতত জমা আছে মাত্ৰ দুই লাখ ৯ হাজাৰ ৮৮৮ টকা আৰু তেওঁৰ পত্নীৰ হাতত জমা আছে মাত্ৰ ২৬, ২৬৮ টকা। ইপিনে, বিভিন্ন বেংকত আজমলৰ জমা আছে চাৰি কোটি ৮৫ লাখ ৭৪ হাজাৰ ৩৬৩ টকা আৰু পত্নীৰ বেংক একাউণ্টত জমা আছে সাত লাখ ৬৪ হাজাৰ ৬৫১ টকা। বিভিন্ন প্ৰতিষ্ঠানত আজমলৰ মুঠ বিনিয়োগ হৈ আছে ১০ কোটি ৯০ লাখ ২২ হাজাৰ ৬৭৪ টকা। আজমলৰ ১, ৫৬, ৮৭, ৭৯৪ কোটি টকা মূল্যৰ মুঠ ৯খন বিলাসী বাহন আছে। ইয়াৰ ভিতৰত ফৰ্ড ইক'স্পৰ্ট ডি এল, বি এম ডব্লিউ, টয়টা ইন'ভা বাহনো আছে। আজমলৰ ১৮৮.৭ গ্ৰাম ওজনৰ ২৯, ৯৮, ৪৪ টকা মূল্যৰ সোণৰ আ-অলংকাৰ আছে। কোটিপতি আজমলৰ ঋণৰ পৰিমাণ ৬০ কোটি ৪৫ লাখ ৩৮ হাজাৰ ২৮৮ টকা। ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী, প্ৰাক্তন জিলা আয়ুক্ত দেবাশিস শৰ্মাও এজন যে কোটিপতি প্ৰাৰ্থী সেই কথা তেওঁ কালি দাখিল কৰা মনোনয়ন-পত্ৰৰ সংলগ্ন শপতনামাত স্পষ্ট হৈছে। দেৱাশিস শৰ্মাৰ শপতনামাত উল্লেখ কৰা অনুসৰি, শৰ্মাৰ মুঠ অস্থাৱৰ সম্পত্তি এক কোটি ২৪ লাখ ৪৫ হাজাৰ ১১৭ টকা। আনহাতে তেওঁৰ পত্নীৰ অস্থাৱৰ সম্পত্তি এক কোটি ৫২ লাখ ৮৬ হাজাৰ ৩৯৯ টকা। শৰ্মাৰ স্থাৱৰ সম্পত্তিৰ পৰিমাণ এক কোটি ১১ লাখ ৫০ হাজাৰ টকা। বিজেপি দলৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হাতত জমা আছে ৮ লাখ ১, ২৫০ টকা আৰু তেওঁৰ পত্নীৰ হাতত জমা আছে পাঁচ লাখ ১৮ হাজাৰ ৬৮০ টকা। শৰ্মাৰ বেংকত জমা আছে ৮৭ লাখ চাৰি হাজাৰ ৩৪৩ টকা। তেওঁৰ টয়টা, ইন'ভাকে ধৰি কেইবাখনো বাহন আছে। তেওঁৰ ৫, ২০, ০০০ টকা মূল্যৰ ৪০ গ্ৰাম ওজনৰ সোণৰ অলংকাৰ আৰু পত্নীৰ ২২, ১০, ০০০ টকা মূল্যৰ ১৯০ গ্ৰাম ওজনৰ সোণৰ আ-অলংকাৰ আছে। দেৱাশিস্ শৰ্মাৰ ঋণৰ পৰিমাণ ( দহ পৃষ্ঠাত চাওক)

# দিছপুৰত শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ অনশন




ৰঙিলী বাৰ্তাসেৱা- উজনিৰ বানপীড়িত তিনি জিলাৰ বানাক্ৰান্ত ৰাইজক উপযুক্ত সাহায্য দিয়াৰ দাবীৰে দিছপুৰত অনশন কাৰ্যসূচী গ্ৰহণ কৰে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে। উজনি অসমত হোৱা বান বিভীষিকাময় জলপ্ৰলয়ত ক্ষতিগ্ৰস্ত লোকসকলক উচিত সাহায্য প্ৰদানৰ ব্যৰ্থতা আৰু অনিয়মৰ বিৰুদ্ধে প্ৰথমে দিছপুৰৰ জনতা ভৱনৰ সমীপত দিনজোৰা অনশন কাৰ্যসূচীত বহিছিল যদিও আৰক্ষীৰ হেঁচাৰ ফলত স্থান সলনি কৰিবলগীয়া হয় বিধায়কগৰাকীয়ে। বিধায়কগৰাকীয়ে গণেশ মন্দিৰৰ সমীপত অনশন কাৰ্যসূচী অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে বানপীড়িত জিলাকেইখনৰ ৰাইজক ২৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান, প্ৰলয়গ্ৰস্ত ব্যৱসায়িক প্ৰতিষ্ঠানক ১০ লাখ টকাৰ ক্ষতিপূৰণ আৰু ১৯ জুলাইৰ বান প্ৰলয়ৰ সন্দৰ্ভত ( পাঁচ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন সম্পন্ন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। ছাত্ৰ একতা সভাৰ মুঠ ১১টা পদৰ ভিতৰত ৮টা পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। যোৱা বৰ্ষৰ দৰেই এইবাৰো দেমহাবিদ্যালয়ৰ নিজা ছফ্টৱেৰ ডেভেলপাৰ 'ফিনিস্কীয়া ডেডিকেচন'ৰ দ্বাৰা প্ৰস্তুত কৰা 'ফিনলেক্ট্ৰা' ছফ্টৱেৰৰ জৰিয়তে ইলেক্ট্ৰনিক পদ্ধতিত নিৰ্বাচন অনুষ্ঠিত হয়। এই ডিজিটেল পদ্ধতিৰ জৰিয়তে ভোটগ্ৰহণ আৰু ফলাফল প্ৰকাশৰ প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতাৰে সম্পন্ন হয়। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মোবাইল ফোনৰ জৰিয়তেও নিৰ্বাচনৰ ফলাফল চাব পৰা ব্যৱস্থা আছে। ইলেক্ট্ৰনিক পদ্ধতিৰ জৰিয়তে মাত্ৰ ১৫ মিনিটৰ ভিতৰতে ফলাফল ঘোষণা কৰা হয়। ফলাফল অনুসৰি সভাপতি পদত নীলভ ঘৰফলীয়া, উপ-সভাপতি পদত প্ৰাচুৰ্য ডাঙৰীয়া, সাধাৰণ সম্পাদক পদত মিন্টু চেতিয়া আৰু সহকাৰী সাধাৰণ সম্পাদক পদত ইমণ দহোতিয়া নিৰ্বাচিত হয়। ইয়াৰোপৰি বিভিন্ন বিভাগৰ সম্পাদক আৰু সম্পাদিকা পদত পুলক ভুঞা (ছাত্ৰ জিৰণি কোঠা), তুষাৰ বৰুৱা (শৰীৰ চৰ্চা সম্পাদক), মন্দিপ বৰা (সাংস্কৃতিক আৰু ছাত্ৰ কল্যাণ সম্পাদক) আৰু প্ৰীয়ংগণা শইকীয়া (ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা) নিৰ্বাচিত হয়। সংগীত সম্পাদক পদত ( নপৃষ্ঠাত চাওক)

# ৫ লাখ যুৱক-যুৱতীক আত্মনিৰ্ভৰ অসম অভিযানত অন্তৰ্ভূৰ্ক্ত কৰাৰ পৰিকল্পনাঃমুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- বৃহস্পতিবাৰৰ পৰা মাহজুৰি চলিবলগীয়া ‘সেৱা সংকল্প অভিযান’ৰ প্ৰথমটো কাৰ্যসূচী হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ উদ্যমী যুৱক-যুৱতীক আত্মনিৰ্ভৰ অসম অভিযানৰ অন্তৰ্গত আৰ্থিক সাহায্য প্ৰদান কৰে। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এই অনুষ্ঠানত আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ত নিৰ্বাচিত ৯,৫৭৮ গৰাকী যুৱক-যুৱতীক দ্বিতীয় কিস্তিৰ ধনৰাশি আৰু অভিযানৰ দ্বিতীয় পৰ্যায়ত নিৰ্বাচিত যুৱক-যুৱতীসকলৰ ৭২,৬৪১ গৰাকীক প্ৰথম কিস্তিৰ দ্বিতীয় অংশৰ ধনৰাশি সামৰি সৰ্বমুঠ ২৭৮ কোটি টকাৰ আৰ্থিক সাহায্য ডিবিটিযোগে বিতৰণ কৰা হয়।

উল্লেখ্য যে মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ প্ৰথমটো কাৰ্যকালত ২০২৩ চনৰ ২৩ ছেপ্টেম্বৰত শুভাৰম্ভ হোৱা আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ত মুঠ ২৫,২৭৭গৰাকী নিৰ্বাচিত যুৱক-যুৱতীলৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছিল।প্ৰথম পৰ্যায়ৰ সাধাৰণ শিক্ষাগত অৰ্হতাসম্পন্ন প্ৰতিগৰাকী যুৱক-যুৱতীয়েৰ লাখ টকাকে লাভ কৰাৰ বিপৰীতে বৃত্তি গত ডিগ্ৰীধাৰীসকলক তেওঁলোকে জমা কৰা প্ৰকল্প প্ৰতিবেদনৰ ভিত্তিত পুঁজি আগবঢ়োৱা হৈছিল। পৰৱৰ্তী সময়ত প্ৰথম পৰ্যায়ত পুঁজি লাভ কৰা যুৱক-যুৱতীসকলৰ কাম-কাজৰ মূল্যায়ন কৰি তাৰে ১২,৯৭৬ গৰাকীক দ্বিতীয় কিস্তিৰ ধনৰাশি প্ৰদান কৰা হৈছিল যোৱা ৰৰ মাৰ্চত।প্ৰথম পৰ্যায়ত সাহায্য লাভ কৰা যুৱক-যুৱতীসকলৰ বাকী থকা ১২,৩০১ গৰাকীৰ মূল্যায়ন সম্পন্ন কৰি আজি মূল্যায়নৰ ফলাফলৰ ভিত্তিত তাৰে ৯,৫৭৮ গৰাকীক দ্বিতীয় কিস্তিৰ ধনৰাশি প্ৰদান কৰা হৈছে। আনহাতে, ২০২৪ চনৰ ১৮ অক্টোবৰত আৰম্ভ হোৱা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ অধীনত ৭৪,৩৫০ গৰাকী উদ্যমী যুৱক-যুৱতী আৰু ৩৪৪ গৰাকী অ’বিবি শিক্ষকক আগবঢ়োৱা এককালীন সাহায্য সামৰি সৰ্বমুঠ ৭৪,৬৯৪ গৰাকীলৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছিল।বৃহস্পতিবাৰে এই অভিযানৰ দ্বিতীয় পৰ্যায়ত যিসকল যুৱক-যুৱতী নিৰ্বাচিত




হৈছিল তাৰে সাধাৰণ শিক্ষাগত অৰ্হতাৰ ৭২,৪৪৭ গৰাকীক প্ৰথম কিস্তিৰ দ্বিতীয় অংশ হিচাপে পাবলগীয়া ২৫ হাজাৰকৈ টকা আৰু বৃত্তিগত ডিগ্ৰীধাৰীসকলক ৫০ হাজাৰকৈ টকা সামৰি সৰ্বমুঠ ১৮২ কোটিৰো অধিক টকা বিতৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুজৰাটৰ মুখ্যমন্ত্ৰী তথা পৰৱৰ্তী সময়ত দেশৰ প্ৰধানমন্ত্ৰীৰূপে নিৰৱচ্ছিন্ন ২৫ বছৰীয়া জনসেৱাৰ যাত্ৰা উদ্যাপনৰ অংশ হিচাপে প্ৰথমটো কাৰ্যসূচী আত্মনিৰ্ভৰ অসম অভিযানৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই সৃষ্টিশীলতা, কাৰিকৰী দক্ষতা আৰু পৰিশ্ৰমেৰে নিজে স্বাৱলম্বী হোৱাৰ লগতে (দহ পৃষ্ঠাত চাওক)

# টাটা ছন্সৰ অধ্যক্ষ হিচাপে পুনৰ ৫ বছৰৰ বাবে এন চন্দ্ৰশেখৰণ




ৰঙিলী বাৰ্ত্তাসেৱা- টাটা ছন্স ব’ৰ্ডৰ কাৰ্যবাহী অধ্যক্ষ হিচাপে পুনৰ দায়িত্ব লাভ কৰিলে এন চন্দ্ৰশেখৰনে। বৃহস্পতিবাৰে মুম্বাইত অনুষ্ঠিত টাটা গ্ৰুপৰ ব’ৰ্ড বৈঠকত চন্দ্ৰশেখৰনৰ কাৰ্যকাল আৰু পাঁচ বছৰৰ বাবে বৃদ্ধি কৰাৰ সিদ্ধান্তগ্ৰহণ কৰা হয়। চন্দ্ৰশেখৰনৰ বৰ্তমানৰ কাৰ্যকাল ২০২৭ চনৰ ২০ ফেব্ৰুৱাৰীত সম্পূৰ্ণ হোৱাৰ কথা আছিল। তাৰ পূৰ্বেই ব’ৰ্ডে তেওঁৰ কাৰ্যকাল বৃদ্ধিৰ সিদ্ধান্ত লয়। উল্লেখ্য, চলিত বৰ্ষৰ আগষ্টত চন্দ্ৰশেখৰনে ব’ৰ্ডক জনাইছিল যে এই কাৰ্যকাল শেষ হোৱাৰ পিছত তেওঁ পুনৰ অধ্যক্ষ পদত থাকিবলৈ আগ্ৰহী নহয়। কিন্তু পৰৱৰ্তী সময়ত ব’ৰ্ডৰ অনুৰোধত ৬৩ বছৰীয়া চন্দ্ৰশেখৰণে এই সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ সন্মত হয়। সূত্ৰই জনোৱা মতে টাটা ট্ৰাষ্টৰ অধ্যক্ষ নোৱেল টাটাই চন্দ্ৰশেখৰণৰ পুনৰ নিযুক্তিৰ বিৰুদ্ধে ভোটদান কৰে। অৱশ্যে এই প্ৰস্তাৱত সংখ্যাগৰিষ্ঠই সপক্ষে ভোটদান কৰে। টাটা ট্ৰাষ্ট আৰু ইয়াৰ সৈতে জড়িত ট্ৰাষ্টসমূহৰ হাতত টাটা ছন্সৰ প্ৰায় ৬৬ শতাংশ অংশীদাৰিত্ব আছে। ইফালে, টাটা ছন্সৰ শ্বেয়াৰ বজাৰত তালিকাভুক্তিৰ বিষয়টোক লৈও এই সিদ্ধান্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কিছুদিন (নপৃষ্ঠাত চাওক)

# নগাঁৱ উপ- নিৰ্বাচনৰ ৭ জন প্ৰাৰ্থীৰ মনোনয়ন বাতিল

ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও সংসদীয় সমষ্টিৰ উপ- নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে বিভিন্ন ৰাজনৈতিক দলকে ধৰি মুঠ ২৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছিল। মনোনয়ন-পত্ৰ দাখিল পিছত মনোনয়ন-পত্ৰসমূহ পৰীক্ষা কৰা হয়। পৰীক্ষাৰ অন্তত ৭জন প্ৰাৰ্থীৰ মনোনয়ন বাতিল কৰিছে। আনহাতে পৰীক্ষাৰ অন্তত বিজেপি দলৰ প্ৰাৰ্থী দেৱাশিস শৰ্মা, কংগ্ৰেছৰ শিৱামণি বৰা, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলৰ লগতে আৰ চি পি আইৰ ইনামুল হুদা, নিৰ্দলীয় ক্ৰমে ফাৰুক খান, মণিৰুল হুছেইন, চাবিনা য়াচমিন, নজৰুল ইছলাম, ছাইফুৰ ৰহমান, ইমৰাণ হুছেইন, মোস্তাকিম আলি, পুৰুষোত্তম বেহেৰা, ইউনুছ তামুলী, আয়ুস কুমাৰ সিং, এছ ইউ চি আই- চিৰ বৰ্ণালী শৰ্মা, নেশানেল বোড মেপ পাৰ্টিৰ হাফিজ বুঢ়ানুদ্দিন, নৱৰঙ্গ কংগ্ৰেছ পাৰ্টিৰ শ্বেইক কৰিমুল্লাৰ মনোনয়ন বৈধ হোৱা বুলি জানিব পৰা গৈছে। ইপিনে, তৃণমূল কংগ্ৰেছৰ আব্দুল চালামৰ প্ৰাৰ্থিত্বৰ বিষয়টো অমীমাংসিত হৈ আছে। অৱশ্যে তেওঁৰ প্ৰাৰ্থিত্বৰ বিষয়টো কাইলৈ চূড়ান্ত হ’ব বুলি জানিব পৰা গৈছে। আনহাতে, মনোনয়ন বাতিল হোৱা ৭গৰাকী প্ৰাৰ্থী হৈছে শ্বাহ আলম, প্ৰণৱ কৌশিক, ৰাবুল হক, পংকজ মৌৰ্য, খলিল উদ্দিন, চামচুল আলম আৰু ছিকন্দৰ আলি।

# ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিতে চি এম এ এ এৰ অধীনত ৪,৫৪৭ গৰাকী হিতাধিকাৰীক আৰ্থিক সাহায্য বিতৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান চি এম এ এ এ ১.০ আৰু ২.০ৰ অধীনত আৰ্থিক সাহায্য বিতৰণৰ বাবে ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিতে একেলগে জিলা পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচী জৰিয়তে জিলাখনৰ উদীয়মান তথা ইতিমধ্যে উদ্যোগ স্থাপন কৰা উদ্যোগীসকলক স্ব-নিয়োজন, উদ্যোগিতা আৰু বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰত আৰ্থিক আৰু প্ৰতিষ্ঠানিক সহায় আগবঢ়োৱা হয়। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ শ্ৰী শ্ৰী আউনীআটী শাখা সত্ৰত মূল অনুষ্ঠানটো অনুষ্ঠিত হয়। অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন আৰু ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, উপস্থিত থাকে। ডিব্ৰুগড় বিধানসভা



সমষ্টিৰ মুঠ ৬৪৩ গৰাকী হিতাধিকাৰীক এই কাৰ্যসূচীৰ অধীনত সামৰি লোৱা হয়। ইয়াৰে ৫৫৯ গৰাকী চি এম এ এ এ ২.০ আৰু ৮৪ গৰাকী চি এম এ এ এৰ ১.০ৰ অধীনৰ হিতাধিকাৰী। জিলা খনৰ আনকেইটা বিধানসভা সমষ্টিসমূহতো নিৰ্ধাৰিত স্থানত এই কাৰ্যসূচী অনুষ্ঠিত হয়। চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত মুঠ ৭৩৬ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হয়। ইয়াৰে ৬৩৬ গৰাকী চি এম এ এ এ ২.০ আৰু ১০০ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ। টিংখাং বিধানসভা সমষ্টিত মুঠ ৯০৬ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৮৪৪ গৰাকী চি এম এ এ এ ২.০ আৰু ৬৫ গৰাকীচি এম এ এ এ ১.০ৰ অধীনৰ। খোৱাং বিধানসভা সমষ্টিত মুঠ ৬৯৯ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৬০৩ গৰাকী চিএমএএ এ ২.০ আৰু ৯৬ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ। নাহৰকটীয়া বিধানসভা সমষ্টিত মুঠ ৮১৯ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৭১৬ গৰাকী চি এম এ এ এ ২.০ আৰু ১০৩ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ। দুলীয়াজান বিধানসভা সমষ্টিত মুঠ ৭৪৪ গৰাকী হিতাধিকাৰীৰ ভিতৰত ৬২৯ গৰাকী চি এম এ এ এ ২.০ আৰু ১১৫ গৰাকী চি এম এ এ এ ১.০ৰ অধীনৰ হিতাধিকাৰী। জিলাখনৰ ছটা বিধানসভা সমষ্টিতে অনুষ্ঠিত এই কাৰ্যসূচীৰ অংশ হিচাপে গুৱাহাটীৰ পৰা মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰা ভাষণৰ ভাৰ্চুৱেলি পোনপটীয়া সম্প্ৰচাৰ সকলো নিৰ্ধাৰিত অনুষ্ঠানস্থলতে প্ৰদৰ্শন কৰা হয়। ছটা বিধানসভা সমষ্টিৰ হিতাধিকাৰী আৰু অংশগ্ৰহণকাৰীসকলে প্ৰথমে ভাৰ্চুৱেল মাধ্যমেৰে ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে আৰু তাৰ পিছত নিজ নিজ বিধানসভা সমষ্টিৰ অনুষ্ঠানত আৰ্থিক (নপৃষ্ঠাত চাওক)

# বিদ্যালয়ত ৭০শতাংশ উপস্থিতি নাথাকিলে কৰ্তন হ'ব চৰকাৰী জলপানিঃ ডাঃ ৰণোজ পেগু




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ শিক্ষাৰ্থীৰ বাবে গুৰুত্বপূৰ্ণ খবৰ। ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰী জলপানি আৰু বিভিন্ন আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত উপস্থিতিৰ হাৰ বাধ্যতামূলক কৰা হৈছে। অসমৰ চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয় তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে মাচুল ৰেহাই আঁচনি, 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনি আদি ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি আৰু জলপানিৰ সুবিধা লাভ কৰি থাকিবলৈ হ'লে শিক্ষানুষ্ঠানত অতিকমেও ৭০ শতাংশ উপস্থিতি বজাই ৰখাটো বাধ্যতামূলক হ'ব। এই গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। গুৱাহাটীত ৰাজ্যৰ অনুসূচিত জনজাতিৰ বাবে ঘোষিত মেট্ৰিকোত্তৰ জলপানি বিতৰণ অনুষ্ঠানত ভাষণ প্ৰদান কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে যিসকল শিক্ষাৰ্থীয়ে এই প্ৰয়োজনীয় উপস্থিতিৰ হাৰ স্পৰ্শ কৰাত ব্যৰ্থ হ'ব, তেওঁলোকক সংশ্লিষ্ট আঁচনিসমূহৰ পৰা কৰ্তন কৰা হ'ব। এই নিয়ম মাচুল ৰেহাই, 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হ'ব। জনজাতি (ভৈয়াম) পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ আঁত ধৰি শিক্ষামন্ত্ৰী পেগুৱে কয় যে একাংশ মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰাৰ পিছতো মাচুল ৰেহাইৰ সুবিধা প্ৰদান নকৰা বুলি তেওঁ কেইবাখনো আবেদন আৰু অভিযোগ লাভ কৰিছে। কিন্তু, আমাৰ নীতি-নিৰ্দেশনা অনুসৰি আঁচনিখনৰ সুবিধা লাভ কৰি থাকিবলৈ হ'লে ৭০ শতাংশ উপস্থিতি বাধ্যতামূলক। তেওঁ কয় যে নিৰ্ধাৰিত উপস্থিতি বৰ্তাই ৰাখিব নোৱাৰা শিক্ষাৰ্থীসকল মাচুল ৰেহাই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব। তেওঁ লগতে কয় যে অনুৰূপ চৰ্ত 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ ক্ষেত্ৰতো বলবৎ থাকিব। শেহতীয়া গুজৰাট ভ্ৰমণৰ প্ৰসংগ টানি আনি মন্ত্ৰীগৰাকীয়ে কয়, অলপতে গুজৰাট ভ্ৰমণকালত মই প্ৰত্যক্ষ কৰিছোঁ যে তাত উপস্থিতিৰ হাৰ ৮০ শতাংশ হোৱাটো বাধ্যতামূলক। অসমত আমি বাধ্যতামূলক ৭০ শতাংশ উপস্থিতিৰ সীমা হ্ৰাস আবেদন গ্ৰহণ কৰিব পৰা নাই। অৱশ্যে পেগুৱে জানিবলৈ দিয়ে যে প্ৰাকৃতিক দুৰ্যোগ, জৰুৰী স্বাস্থ্যজনিত পৰিস্থিতি বা পৰিয়ালৰ ( নপৃষ্ঠাত চাওক)

# নগাঁও উপ-নিৰ্বাচনৰ বাবে কেইবাজনো প্ৰাৰ্থীৰ মনোনয়ন দাখিল

ৰঙিলী বাৰ্ত্তাসেৱা- অহা ৬ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নগাঁও লোক সভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি বুধবাৰে নগাঁও চহৰত ৰাজনৈতিক বতাহ উত্তাল হৈ পৰে। মনোনয়ন দাখিলৰ অন্তিম দিনা তিনি হেভীৱেট প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ লগতে সমষ্টিটোত নিৰ্বাচনৰ মুঠ২৫গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। অন্তিম দিনা নগাঁও চহৰত ৰাজনৈতিক দলসমূহৰ নেতা-কৰ্মী-সমৰ্থকৰ উপস্থিতিয়ে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰে। আনহাতে যিকোনো প্ৰকাৰে নগাঁও লোকসভা সমষ্টিত এইবাৰ পদুম ফুলোৱাৰ লক্ষ্য বিজেপিৰ। কংগ্ৰেছৰ দখলৰ পৰা সমষ্টি



পুনৰুদ্ধাৰৰ বাবে উপ-নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিনটোত নগাঁৱত উবুৰি খাই পৰিল বিজেপিৰ শীৰ্ষ নেতৃত্ব। দলৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাক বিজয়ী কৰাবলৈ মনোনয়ন দাখিলৰ অন্তিম দিনা নগাঁৱৰ নেহৰুবালিত বিজয় সংকল্প সমাৰেশ পাতি বিজেপিয়ে দেখুৱালে শক্তি। অহা ৬ অক্টোবৰত হ'বলগা উপ-নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ উদ্দেশ্যে নগাঁও চহৰত বিজেপিৰ লগতে কংগ্ৰেছ, এআইইউডিএফ, তৃণমূল কংগ্ৰেছৰ দলীয় সমৰ্থকৰ উপস্থিতিয়ে সৃষ্টি কৰিলে এক উখল-মাখল পৰিৱেশ। বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মা, কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰা, এআই-ইউডিএফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমল, তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল চালামকে ধৰি কেইবাজনো নিৰ্দলীয় প্ৰাৰ্থীয়ে অন্তিম দিনটোত দাখিল কৰিলে মনোনয়ন। মনোনয়ন দাখিলৰ পূৰ্বে নেহৰুবালিত বিশাল সমাৰেশ পাতি বিজেপিৰ শ্লোগান-পদুমৰ পাহি পাহি, ভোট দিয়ক হাঁহি হাঁহি। এই আহ্বানেৰে নেহৰুবালিত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ভোটাৰক আহ্বান জনাই কয়-বিনাশ আৰু বিভাজনৰ ৰাজনীতি কৰা কংগ্ৰেছৰ এতিয়া চিন-মোকাম নোহোৱা হোৱাৰ উপক্ৰম হৈছে। কংগ্ৰেছে অসমক ৫০ বছৰ পিছুৱাই লৈ গ'ল। অহা ২৫ বছৰ দলটোৱে সেই পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব। এয়া অসমৰ জনগণৰ মনৰ ইচ্ছা। ৬ অক্টোবৰত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাক জয়যুক্ত কৰিবলৈ আহ্বান জনাই দিলীপ শইকীয়াই কয়- এইবাৰ নগাঁৱৰ ৰাইজে পৰিৱৰ্তন অনাৰ বাবে সাজু হৈছে। কিয়নো বিজেপি মানেই হৈছে উন্নয়ন, জনসেৱা আৰু দৰিদ্ৰ-পিছপৰা শ্ৰেণীৰ উন্নয়নৰ বাবে কাম কৰা সমৰ্পিত ৰাজনৈতিক দল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১৩ বছৰে ২৫ কোটি জনতাক দাৰিদ্ৰ ( নপৃষ্ঠাত চাওক)

# ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়া দেৱজিৎ হাজৰিকাৰ সাক্ষ্য

ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গ হত্যা গোচৰত ফাষ্টট্ৰেক আদালতত সাক্ষ্যদান কৰে ছিংগাপুৰৰ প্ৰবাসী অসমীয়া দেৱজিৎ হাজৰিকাই। ন্যায়াধীশ শৰ্মিলা ভূএগাৰ আদালতে দেৱজিৎ হাজৰিকাৰ সাক্ষ্যগ্ৰহণ কৰে। অৱশ্যে জুবিন গাৰ্গৰ ছিংগাপুৰত মৃত্যু হোৱাৰ সময়ত য়াট পাৰ্টীত উপস্থিত থকা দেৱজিৎ হাজৰিকাৰ সাক্ষ্যদান সম্পূৰ্ণ নহ'ল। সাক্ষ্যদানৰ বাবে পুনৰ ফাষ্টট্ৰেক আদালতত উপস্থিত হ'ব লাগিব দেৱজিৎ হাজৰিকা। উল্লেখ্য যে এইগৰাকী দেৱজিৎ হাজৰিকাই য়াট পাৰ্টীৰ সময়ত সাগৰত ডুব যোৱা জুবিন গাৰ্গক পাৰলৈ তুলি আনিছিল। ইয়াৰ বিপৰীতে এইগৰাকীৰ আন সতীৰ্থসকলে তেওঁক পাৰলৈ তুলি আনিবৰ কাৰণে কোনো চেষ্টা নকৰাৰ অভিযোগ আছে। শিল্পীগৰাকীৰ মৃত্যুৰ পাছত ৰাজ্য চৰকাৰে গঠন কৰি দিয়া এছআইটিয়ে বিগত বৰ্ষৰ অক্টোবৰত দেৱজিৎ হাজৰিকাক জেৰাৰ বাবে হাজিৰ হ'বলৈ চমন জাৰি কৰিছিল। প্ৰথম দিনা সাক্ষ্যদানৰ পিছত আদালতৰ বাহিৰলৈ ওলাই আহি দেৱজিৎ হাজৰিকাই সংবাদ মাধ্যমৰ আগত কোনো কথা ক'বলৈ মান্তি নহয়। তেওঁ কয় যে আদালতত তেওঁৰ সাক্ষ্যদান চলি আছে। সেয়েহে উক্ত গোচৰ সন্দৰ্ভত এতিয়া তেওঁ কোনো মন্তব্য কৰিব নোৱাৰে। কাইলৈ সাক্ষ্যদান শেষ হ'ব আৰু তেতিয়াহে এই বিষয়ক লৈ মন্তব্য কৰিব পৰা যাব। তেওঁ কয় যে বিষয়টো ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। মই এতিয়া একো কথা ক'ব নোৱাৰোঁ। উল্লেখ্য যে জুবিন গাৰ্গৰ হত্যা গোচৰত ইতিমধ্যে তিনিগৰাকী প্ৰবাসী অসমীয়াই সাক্ষ্যদান কৰিছে। সাক্ষ্যদান কৰা প্ৰবাসী অসমীয়াকেইগৰাকী হৈছে পৰীক্ষিত শৰ্মা, প্ৰতিম লহকৰ আৰু সুস্মিতা গোস্বামী। গোচৰটোত চতুৰ্থগৰাকী প্ৰবাসী অসমীয়া হিচাপে দেৱজিৎ হাজৰিকাই সাক্ষ্যদান কৰে। গোচৰটোত সাক্ষ্যদান কৰিবলৈ এতিয়াও সাতগৰাকী প্ৰবাসী অসমীয়া বাকী আছে।

# মহানগীৰৰ পাণবজাৰত

লগতে তিনিটা ম'বাইল ফোন জব্দ কৰে। আৰক্ষীৰ অভিযানত নিষিদ্ধ ড্ৰাগছখিনি ১০টা চাবোনৰ বাকচত লুকুৱাই অনা অৱস্থাত উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে ড্ৰাগগুখিনিৰ লগতে ব্যৱহৃত তিনিটা ম'বাইল ফোনো জব্দ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোককেইজন হৈছে নাগালেণ্ডৰ মোকোকচাং জিলাৰ সাতেম্যাংলা (২৭) আৰু ফ'চেমলিলা (৩৩) আৰু পশ্চিম বংগৰ মুৰ্ছিদা বাদৰ লালচান্দ শেইখ (৩৮)। আৰক্ষীৰ সূত্ৰ অনুসৰি, ডিমাপুৰৰ পৰা গুৱাহাটীলৈ হেৰ'ইন সৰবৰাহৰ উদ্দেশ্যে লোককেইজনে ড্ৰাগছখিনি আনিছিল বুলি সন্দেহ কৰা হৈছে। অৱশ্যে ড্ৰাগছ সৰবৰাহৰ সৈতে তেওঁলোকৰ প্ৰকৃত সম্পৰ্ক আৰু নিষিদ্ধ সামগ্ৰীখিনি ক'ৰ পৰা সংগ্ৰহ কৰিছিল, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে অভিযুক্তকেইজনৰ বিৰুদ্ধে NDPS আইনৰ অধীনত গোচৰ ৰুজু কৰি আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু এই ড্ৰাগছ নেটৱৰ্কৰ সৈতে জড়িত অন্য লোকৰ সন্ধান চলাই আছে।

# দিছপুৰত শিৱসাগৰৰ

চিবিআই তদন্ত দিয়াকে লৈ মুঠ তিনিটা দাবী পূৰণৰ বাবে চৰকাৰক আহ্বান জনাইছে বিধায়ক গগৈয়ে। চৰকাৰে যদিহে এই দাবীসমূহৰ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে অহা ২৩ ছেপ্টেম্বৰত গুৱাহাটীত এক বিশাল প্ৰতিবাদী গণ সমাৰেশ অনুষ্ঠিত কৰাৰো হুংকাৰ দিছে বিধায়ক গগৈয়ে।

# জুবিন গাৰ্গঃ বিশ্বৰ 'হামিং কিং' আৰু প্ৰতিজন প্ৰকৃত অসমীয়াৰ অন্তৰৰ চিৰন্তন স্পন্দন



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

"কেৱল এটা নাম নহয়, জুবিন গাৰ্গ আছিল অসমীয়া প্ৰাণৰ গভীৰতম অনুভৱ, এক বিশাল সত্তা আৰু যুগজয়ী পৰিচয়।"


১৯ ছেপ্টেম্বৰ, ২০২৫ তাৰিখে সুদূৰ ছিংগাপুৰৰ পৰা অহা চৰম শোকাবহ খবৰটোৱে সমগ্ৰ বিশ্বৰ সংগীত প্ৰেমীক জোকাৰি গৈছিল। সেইদিনা সকলোৰে চকু সেমেকি উঠিছিল আৰু অসমীয়া সংগীত আকাশৰ এটা সোণালী যুগৰ অৱসান ঘটিছিল। জুবিন গাৰ্গ আমাৰ মাজৰ পৰা শাৰীৰিকভাৱে গুচি গ'লেও, তেওঁ প্ৰতিজন প্ৰকৃত অসমীয়াৰ অন্তৰত আজিও গভীৰভাৱে জীয়াই আছে। তেওঁ যদি আৰু অন্ততঃ ১০ টা বছৰ আমাৰ মাজত জীয়াই থাকিলহেঁতেন, তেন্তে অসমীয়া সংগীত আৰু সংস্কৃতিৰ দিশটোৱে বিশ্বৰ দৰবাৰত আৰু বহুদূৰ অগ্ৰগতি লাভ কৰিলেহেঁতেন।

বিশ্বৰ 'হামিং কিং' আৰু সুৰৰ যাদু- গুগল তথা সমগ্ৰ বিশ্বৰ সংগীত জগতত জুবিন গাৰ্গক আদৰৰে 'হামিং কিং' (Humming King) হিচাপে স্বীকৃতি দিয়া হৈছে। তেওঁৰ কণ্ঠৰ সেই যাদুকৰী গুণগুণনি আৰু সুৰৰ মূৰ্চ্ছনাই পলকতে সকলোকে মোহিত কৰিব পাৰিছিল। বিভিন্ন ভাষাত ৪০, ০০০ তকৈও অধিক গীত গাই তেওঁ এক অনন্য বিশ্ব অভিলেখ গঢ়ি থৈ গৈছে। তেওঁৰ গীতৰ কথাই আবাল-বৃদ্ধ-বনিতা সকলোৰে প্ৰাণত গভীৰ আৱেগ আৰু অনুভৱৰ সৃষ্টি কৰিছিল। সমগ্ৰ অসমবাসীৰ বাবে তেওঁ আছিল "হাৰ্টথ্ৰব" (Heartthrob) আৰু হিয়াৰ আমঠু। তেওঁৰ অন্তিম পৰিকল্পনা আৰু অনন্য সৃষ্টিৰে নিৰ্মিত 'ৰৈ ৰৈ বিনালে' চিনেমাখনে অসমীয়া চলচ্চিত্ৰ জগতৰ ইতিহাসত এক অনবদ্য আৰু কালজয়ী অভিলেখ সৃষ্টি কৰি থৈ গ'ল।

প্ৰকৃতি, মানৱতা আৰু জন্মভূমিৰ প্ৰেম- জুবিন গাৰ্গৰ উদাৰ মন আৰু প্ৰকৃতিৰ প্ৰতি থকা মৰমে প্ৰমাণ কৰিছিল যে তেওঁ আছিল ঈশ্বৰ প্ৰদত্ত অপূৰ্ব গুণৰাজিৰে ধন্য এজন মহান ব্যক্তি। চৰাই-চিৰিকতি, জীৱ-জন্তু আৰু প্ৰকৃতিৰ সৈতে মনৰ ভাব বিনিময় কৰিব পৰা এক আচৰিত আত্মিক শক্তি তেওঁৰ আছিল। বলিউডৰ বিশাল মঞ্চ আৰু ধন-দৌলতৰ মোহ ত্যাগ কৰি তেওঁ কেৱল জন্মভূমিৰ সাহিত্য, কলা আৰু সংস্কৃতিৰ গুৰি ধৰাৰ নিৰন্তৰ প্ৰয়াস কৰিছিল। ধন টকা পইচাৰ প্ৰতি তেওঁৰ কোনো দিনে লোভ বা মায়া নাছিল; বৰঞ্চ তেওঁ এটি যন্ত্ৰৰ দৰে অহৰহ কেৱল অসমীয়া সংগীত ক্ষেত্ৰৰ উত্তৰণৰ বাবে নিজকে উৎসৰ্গা কৰিছিল। খেলৰ প্ৰতি মানুহক প্ৰেৰণা দিয়া, দুখীয়া-নিছলাক সহায় কৰা, ঘৰ দিয়া, গছ সংৰক্ষণ কৰা, প্ৰাকৃতিক দুৰ্যোগত সাহায্য কৰা, ৰোগীৰ শুশ্ৰূষা কৰা আদি সামাজিক দায়বদ্ধতাৰ বাবেই সমাজৰ প্ৰতিগৰাকী

*(আঠ পৃষ্ঠাত চাওক)*

# অশ্ৰুৰে নহয়, সৃষ্টিৰে-জুবিনলৈ এক গভীৰ শ্ৰদ্ধাঞ্জলি



**লক্ষীনন্দন কলিতা**

কিছুমান জীৱন কেৱল এটা সময়ৰ পৰিসৰত আবদ্ধ নাথাকে। জীৱনৰ সীমা অতিক্ৰম কৰি তেওঁলোকৰ কৰ্ম, কণ্ঠ আৰু সৃষ্টিয়ে যুগৰ চেতনাত নিজৰ এক স্থায়ী ঠিকনা নিৰ্মাণ কৰে। জুবিন গাৰ্গ তেনে এক নাম-যি নাম উচ্চাৰিত হ'লেই অসমৰ সাংস্কৃতিক আকাশত অনুৰণিত হয় অসংখ্য সুৰ, স্মৃতি আৰু অনুভৱৰ গভীৰ প্ৰতিধ্বনি।

জুবিন কেৱল সংগীতৰ এজন শিল্পী নাছিল, তেওঁ আছিল এক সৃষ্টিশীল সত্তা, এক সাংস্কৃতিক চেতনা। তেওঁৰ কণ্ঠত অসমৰ মাটিৰ গোন্ধ আছিল, ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে এক স্বাভাৱিক প্ৰবাহ আছিল, আৰু মানুহৰ সুখ- দুখৰ প্ৰতি আছিল এক গভীৰ সংবেদনশীলতা। সেয়েহে তেওঁৰ সৃষ্টিক কেৱল মনোৰঞ্জনৰ পৰিসৰত সীমাবদ্ধ কৰিলে তেওঁৰ অৱদানৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰা নহ'ব।

১৯ ছেপ্টেম্বৰ দিনটো আত্মমন্থনৰ দিন। জুবিনে আমাক যি সৃষ্টিশীল সাহস, মানৱীয় সংবেদন আৰু স্বকীয়তাৰ বোধ দি থৈ গৈছে, সেই মূল্যবোধক আমি আমাৰ জীৱনত কিমান দূৰ আগুৱাই নিব পাৰিছোঁ-সেই প্ৰশ্নটো নিজকে সোধাৰ দিন। এগৰাকী শিল্পীক সঁচা অৰ্থত সোঁৱৰণ কৰা মানে কেৱল তেওঁৰ ছবি সন্মুখত বন্তিজ্ব লোৱা নহয়, তেওঁৰ সৃষ্টিৰ অন্তৰ্নিহিত চেতনাক নিজৰ কৰ্মৰ মাজত ধাৰণ কৰা। সেয়ে জুবিনক কেৱল স্মৃতিৰ অশ্ৰুসিক্ত পৃষ্ঠাত নহয়, সৃষ্টিৰ উজ্জ্বল পৃষ্ঠাত স্থান দিব লাগিব প্ৰতিজন অসমীয়াই।

কোনো এজনে কবিতা লিখক, কোনোবাই গীত গাওক, কোনো শিশুৱে ছবি আঁকক, কোনো যুৱকে কলম তুলি লওক, কোনোবাই সাহিত্যৰ চৰ্চা কৰক, কোনোবাই সংস্কৃতিৰ সংৰক্ষণত নিজকে নিয়োজিত কৰক। কোনোবাই আকৌ নীৰৱে কোনো অসহায় মানুহৰ কাষত থিয় হওক। এই সৰু সৰু সৃষ্টিশীল আৰু মানৱীয় প্ৰয়াসবোৰৰ মাজতেই হয়তো জুবিনৰ প্ৰতি আটাইতকৈ অৰ্থৱহ শ্ৰদ্ধাঞ্জলি নিহিত হৈ আছে।

কাৰণ জুবিনে আমাক কেৱল সুৰ শুনাই যোৱা নাছিল, তেওঁ আমাক অনুভৱ কৰিবলৈ শিকাইছিল। নিজৰ মাটিক ভাল পাবলৈ, নিজৰ ভাষাক মৰম কৰিবলৈ আৰু নিজৰ অস্তিত্বক লৈ গৌৰৱ কৰিবলৈ তেওঁৰ সৃষ্টিয়ে বহু হৃদয়ক অনুপ্ৰাণিত কৰিছিল। সেই অনুপ্ৰেৰণাক যদি আমি পৰৱৰ্তী প্ৰজন্মৰ হাতলৈ আগবঢ়াই দিব পাৰো, তেন্তে সোঁৱৰণে তেতিয়াহে অৰ্থ লাভ কৰিব। আজিৰ প্ৰজন্মৰ বাবে জুবিনৰ স্মৃতি সেয়ে এক দায়িত্বও। তেওঁৰ সৃষ্টিক

*(সাত পৃষ্ঠাত চাওক)*

জুবিন গাৰ্গৰ স্মৃতিত

# তেওঁ আহিব আকৌ



**অসীম জ্যোতি দাস, চৰাইবাহী, মৰিগাঁও**

তেওঁ বুঢ়া লুইতে দি ভটিয়াই আহি আহি এদিন
তেওঁ এই পথেৰেই এদিন আহিছিল,
লগত আনিছিল এজোলোঙা সুৰৰ মুকুটা
তেওঁ আছিল অক্লান্ত
জিৰণি লৈছিল মানুহৰ মাজত।
শান্ত সৌম্য তেওঁৰ মুখমণ্ডলত ফুটি উঠিছল
দেশ আৰু জাতিক পোহৰ কৰাৰ আশা,
গধূলি যেন কেশত ৰ'দত পৰি উঠিছিল জিলিকি
যেন বুঢ়া লুইতৰ পানীহে য'ত বৈ আছে যাউতিযুগীয়া
সংস্কৃতিৰ ধাৰা,
কমললোচনত পৰিস্ফুট হৈ উঠিছিল যুগ সৃষ্টি আৰু জাতি সৃষ্টিৰ
চিন্তাধাৰা,
আৰু পৰিস্ফুট হৈছিল শংকৰ-মাধৱ আৰু জ্যোতি-বিষ্ণুক জগতত
চিনাই দিয়াৰ ;
সেইদিনাও তেওঁ চিন্তাত মগন আছিল!
আকাশৰ কেনভাছত মানৱতাবাদী সমাজ আকাৰ পৰিকল্পনাৰে,
তেওঁ আছিল মানৱতাবাদ ধৰ্মৰ এজন ধাৰ্মিক পুৰুষ
তেওঁ বান্ধিছিল মানৱতাবাদী ধৰ্মৰ ভেটি
তেওঁৰ সপোন আছিল এটা নতুন যুগ এখন নতুন সমাজ গঢ়াৰ,
যাৰ মূলমন্ত্ৰ আছিল "মানৱতাবাদ"
কিন্তু!
তেওঁ আজি অনন্ত মহাসাগৰৰ বুকুত
যুগনিদ্ৰাত বিলিন ।
তেওঁ আহিব আকৌ,
সৃষ্টি কৰিব নতুন সমাজ নতুন যুগ............ ।

# শিল্পীসত্বাৰ চালিকা শক্তি দৰদী জুবিন গাৰ্গ



যমুনা দুলু বৈশ্য, গুৱালকুছি

হিয়াৰ আমঠু জুবিন গাৰ্গ
বিশ্ববাসীক মধুৰকণ্ঠৰে
হেজাৰ জনৰ, প্ৰাণৰ শিল্পী
তুমি
যুগজয়ী সংগীত খনিকৰ,
হে, সুৰৰ যাদুকৰ,
প্ৰকৃতিৰ প্ৰেমী, মহানায়ক ।।

গল্ডি বা জুবিন ১৯৭২ চনৰ ১৮ নবেম্বৰত মেঘালয়ৰ তুৰাত জন্ম হৈছিল । তেৱেঁই গীতিকাৰ, সুৰকাৰ সংগীত পৰিচালক, চলচিত্ৰ নিৰ্মাতা পৰিচালক, কাহিনীকাৰ সমাজসেৱী, দয়ালু প্ৰকৃতি-প্ৰেমী অসমবাসীৰ বাবে সুসন্তান জুবিন গাৰ্গ। দেউতাকৰ নাম আছিল মোহিনীমোহন বৰঠাকুৰ, ছদ্মনাম কপিল বৰঠাকুৰ। তেওঁ এগৰাকী ম্যাজিষ্টেট আছিল। গীত আৰু কবিতা লিখিছিল। লগতে নিজৰ পুত্ৰৰ জুবিনৰ নামত গ্ৰন্থ এখন প্ৰকাশ কৰিছিল। মাকৰ নাম আছিল ইলি বৰঠাকুৰ। এগৰাকী গায়িকা আছিল। ভনী দুজনী জংকি আৰু ড° পামী বৰঠাকুৰ। ৪/২/২০০২ বিবাহ হয় । জুবিনৰ পত্নী গৰিমা শইকীয়া এগৰাকী ফেশ্বন ডিজাইনৰ ।

জুবিনক লোক-সংস্কৃতিৰ বাবে ৰবীন বেনাৰ্জীৰ ওচৰত তবলা আৰু গানৰ শিক্ষা দিছিল। দেউতাকে বয়স অনুপাতে বহু ধৰনৰ কিতাপ কিনি দিছিল। জুবিনে বি বৰুৱা কলেজৰ বিজ্ঞান শাখাত পঢ়িছিল। কলেজৰ শিক্ষা আধৰুৱা কৰি সংগীতৰ লগতে ওতঃপ্ৰোত ভাৱে জড়িত হয় । প্ৰথম "অনামিকা" অসমীয়া গীতৰ এলবাম মুকলি কৰি জনপ্ৰিয়তা বৃদ্ধি কৰে । তথ্যমতে ৪০টা ভাষাত সৰ্বমুঠ বিশ হাজাৰৰো অধিক গীত পৰিবেশন কৰে। ২০০৭ চনত ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা অসমীয়া ছবি "দীনবন্ধু"ৰ তেওঁ সহ পৰিচালক আছিল । জুবিনে পৰিচালনা কৰা অভিনয় কৰা বহুতো চিনেমা আছে। ২০২৫ চনটো অসমৰ বাবে অপূৰণীয় ক্ষতি হৈ ৰ'ল। মানৱদৰদী প্ৰাণৰ শিল্পীৰ গৰাকীৰ গীত বিহু মঞ্চত দেখিবলৈ নেপাম। ১৯ ছেপ্তেম্বৰ ২০২৫ চনত সকলোকে কন্দোৱাই অসমৰ ইমুৰৰ পৰা সিমুৰলৈ অগনন জনগণৰ মাজত জাতিৰ সত্বা নাই বুলি জনতাৰ চকুত চকুলোৰে বোৱাই গুচি গ'লগৈ উভতি নহা বাটে । এটি উজ্জ্বল নক্ষত্ৰ হেৰাই গ'ল, সুৰ এটি নোহোৱা হ'ল নিষ্ঠুৰ বতাহে কঢ়িয়াই আনিলে দুখৰ বাতৰি। জুবিনে কি নাজানিছিল তবলা, কীবোৰ্ড, হাৰমোনিয়াম, গীটাৰ, ঢোল, দোতৰা ম্যাণ্ডোলিন আদি অনেক বাদ্যযন্ত্ৰ বজাব পাৰিছিল ।


অসমৰ সংস্কৃতিৰ পথাৰখনলৈ এক বৈপ্লৱিক পৰিবৰ্তন আনিলে। তেওঁৰ ঐশ্বৰিক সংগীত প্ৰতিভাই কেৱল অসমৰ সংগীত জগততেই নহয় সমগ্ৰ ভাৰততে এক আলোড়নাৰ সৃষ্টি কৰিলে। সুৰৰ যাদুৰ শক্তিৰ যি লহৰ তুলি নতুন প্ৰজন্মৰ হৃদয় উকাকৰি শুন্য কৰি গুচি গ'ল। মানুহৰ প্ৰতি যি উদাৰতা, নিঃস্বাৰ্থ সহায়, দান মানৱ দৰদী মনটোক প্ৰাণ ভৰি ভালপায় আজিও তেওঁৰ শুভাকাংক্ষীয়ে। জুবিন গাৰ্গে বিশ্বাস কৰিছিল মানৱতাই শ্ৰেষ্ঠ ধৰ্ম। তেওঁৰ চিন্তাধাৰা আছিল আকাশ, সাগৰৰ দৰে সুবিশাল । মানৱ দৰদী জুবিনে আৰ্তজনক সহায় কৰাৰ লগতে অসুখত ভুগি থকা লোকক কিমান জনক যে সহায় কৰিছিল। দৰিদ্ৰ, নিঠৰুৱা উপায়হীন জনক টকা- পইচাৰে মুক্ত মনেৰে দান কৰিছিল। নিজৰ যোগ্যতাৰে অনাথ শিশুক মৰম স্নেহ আশ্বাসেৰে জীৱনৰ বাট সুগম হোৱাত সহায় কৰিছিল। জুবিনে প্ৰকৃতিৰ হাবি- গছ-গছনি নদ- নদী, বনৰীয়া ঘৰচীয়া জন্তু, বৰ ভাল পাইছিল।

সৰুকালৰে পৰাই বনৰীয়া জন্তু, ঘৰচীয়া কৰাৰ বা আদৰ কৰাৰ প্ৰবল হেঁপাহ আছিল। দেউতাকৰ চাকৰিৰ বাবে সৰুৰে পৰা তুৰা, তামোলপুৰ, কৰিমগঞ্জ, যোৰহাট অসমৰ বিভিন্ন ঠাইৰ প্ৰাকৃতিক পৰিবেশৰ লগত খাপ খাই যাব পাৰিছিল। তেওঁক ভালপোৱা মানুহৰ সমান্তৰাল ভাৱে বিভিন্ন সময়ত সমালোচনা কৰা এচাম মানুহৰো কিন্তু অভাৱ নাছিল। জুবিনে কৈছিল-গছৰ লগত থাকিলে মানুহ বহুত দিনলৈ জীয়াই থাকিব পাৰে ।গছ কটাৰ বিৰোধিতা আছিল । গছ নাথাকিলে ঠাই ডোখৰৰ পুণৰ সৌন্দৰ্য ঘূৰাই পামনে ? নাহৰ গছ ৰোপন কৰি বৰ ভাল পাইছিল। কঠোৰ পৰিশ্ৰম, দায়বদ্ধতা, সাহস আৰু ত্যাগৰ এই গুণ আমাৰ শিল্পী গৰাকীৰ পৰাও আমি আদৰ্শ লোৱা উচিত।

বিনম্ৰতা মানুহৰ মহৎ গুণ। জুবিন গাৰ্গৰ সৰলতাই হৈছে তেওঁৰ শক্তিৰ মুল ।টকা-পইচাতকৈ কৰ্ম আৰু সৃষ্টিৰ মাজেৰে সদায় মানুহৰ মাজত জীয়াই থাকিব বিচাৰিছিল, সকলোৰে প্ৰাণৰ শিল্পীজনে জাতি, মাটিক ভালপোৱা সৃষ্টিৰাজিৰে লাখ লাখ হৃদয়ত তোলপাৰ লগাব পৰা জুবিন গাৰ্গৰ মানৱীয় প্ৰমূল্যবোধ অনন্য। জাতিৰ প্ৰতি, ভাষাৰ প্ৰতি, নামি অহা উদ্বিগ্ন জুবিন গাৰ্গে কিতাপ নপঢ়া জাতিক গামোচাই জীয়াই নাৰাখে বুলি

*(আঠপৃষ্ঠাত চাওক)*

# সাগৰ তলিতে শুবৰে মন



**ৰুমী কলিতা দত্ত,ডিব্ৰুগড়**

নীলা আকাশৰ তলত বিশাল সাগৰ
তাতে ঢৌবোৰে কথা কয় নিৰন্তৰ
পাৰত শিলবোৰে লয় স্মৃতিৰ ভৰ
কোলাহলৰ পৰা বহু দূৰ সাগৰলৈ ।
অসীম জলৰাশিৰ এক গম্ভীৰ সুৰ
কৰি দিয়ে সকলো শোক চোৰ
হিয়াত বাজে এক নতুন ৰাগ
তাত নাই কোনো ঘৃণা, নাই কোনো অনুৰাগ।
সাগৰৰ কোলাত সঁপি দিলা দেহ
নিবিচাৰিলা কাৰোৰে আদৰ- স্নেহ
নীলা পানীৰ শীতল পৰশ
হৃদয়ত সাৱটি ল'লা অচিনা দেশত ।
এই মুহূৰ্ত যেন স্থিৰ, অচলা,
নিবিচাৰি কোনো জগতৰ ধূলি
নিজক হেৰুৱাই পালা কি প্ৰশান্তি
তোমাৰ শৰীৰত দেখা পালোঁ ভাগৰ আৰু ক্লান্তি।
ঢৌৰ স'তে বিলীন কৰিলা তোমাৰ প্ৰাণ,
নিবিচাৰিলা আৰু কোনো স্বীকৃতি, মান
সাগৰৰ গভীৰ বুকুত তোমাৰ শান্ত শয়ন
বিচাৰি ল'লা কিয় সাগৰতে শেষ স্থান।
পৃথিৱীত কোলাহল হ'ল
নিস্তব্ধ সাগৰ উত্তাৱল হ'ল
কি প্ৰশান্তিত লভি চৰম সুখ
সাগৰৰ কোলাত সঁপিলা মুখ ।
শীতল পানীয়ে কৰালে তোমাৰ স্নান,
আঁতৰি নগ'ল অসমীয়াৰ অভিমান।
সাগৰ তলিতে তোমাৰ শুবৰে মন
নাই আৰু কোনো আশা, নকৰিলা পণ।

# অশ্ৰুৰে নহয়, সৃষ্টিৰে-জুবিনলৈ

সংৰক্ষণ কৰা, তেওঁৰ সাংস্কৃতিক অৱদানক গভীৰভাৱে অনুধাৱন কৰা আৰু অসমৰ সৃষ্টিশীল পৰম্পৰাক অধিক সমৃদ্ধ কৰাৰ সংকল্প লোৱা-এইবোৰেই হ'ব তেওঁৰ প্ৰতি আমাৰ সুদূৰপ্ৰসাৰী সন্মান। ১৯ ছেপ্টেম্বৰত আহক, কিছু সময় নীৰৱ হওঁ। তেওঁৰ সুৰৰ মাজেৰে অতীতলৈ উভতি যাওঁ, তেওঁৰ সৃষ্টিৰ মাজেৰে বৰ্তমানক চাওঁ আৰু ভৱিষ্যতৰ বাবে কিছু সৃষ্টিশীল সংকল্প গ্ৰহণ কৰোঁ।

জুবিন গাৰ্গক সোঁৱৰো কেৱল অশ্ৰুৰে নহয়, আদৰ্শৰে। কেৱল স্মৃতিৰে নহয়, সৃষ্টিৰে। কেৱল কথাৰে নহয়, কৰ্মৰে। এগৰাকী শিল্পীৰ জীৱনৰ অন্ত পৰিব পাৰে, কিন্তু তেওঁৰ সৃষ্টিৰ যাত্ৰাৰ অন্ত নপৰে। যেতিয়ালৈকে কোনো কণ্ঠত সুৰ জাগিব, কোনো কলমত শব্দ জন্ম ল'ব, কোনো হৃদয়ত মানুহৰ বাবে মমতা জাগিব, তেতিয়ালৈকে জুবিনৰ সৃষ্টিশীল অনুৰণনো কোনোবা নহয় কোনোবা ৰূপত জীয়াই থাকিব।

১৯ ছেপ্টেম্বৰত আমি সকলোৱে আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গক সৃষ্টিশীলতাৰে সোঁৱৰো আহক। তেওঁৰ স্মৃতিৰ দীপশিখাৰ পৰা নিজৰ অন্তৰত এটি নতুন সৃষ্টিৰ পোহৰ জ্বলাই তোলোঁ আহক।

# এজন অসাধাৰণ অসমীয়া বিজ্ঞানী- ড° সৰ্বেশ্বৰ বুজৰবৰুৱা



**যোৰাখণ্ডৰ পৰা...**

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

সেয়ে তেখেতে নিজৰ সমস্ত প্ৰচেষ্টাৰে লক্ষ্যত উপনীত হ'বলৈ দৃঢ়তাৰে আগবাঢ়িল। প্ৰথম অৱস্থাত ১৯৭৯ চনত অসম বিজ্ঞান সমিতিয়ে আৰম্ভ কৰা "ইনষ্টিটিউট অৱ এডভান্সড্ ষ্টাডিজ ইন ছায়েন্স এণ্ড টেকন'ল'জী"ৰ এজন ফেল' আৰু সহযোগী অধ্যাপক হিচাপেও তেখেতে সেৱা আগবঢ়াইছিল। সেয়া ১৯৮২ চনৰ ডিচেম্বৰ মাহৰ কথা। তাত তেখেতে এৰি অহা বিশ্ববিদ্যালয়ৰ চাকৰিৰ তুলনাত অতি সামান্য বেতনতে সন্তোষ্ট হৈ আৰম্ভ কৰিলে প্ৰজেক্ট লিখাৰ কাম তথ্য সমৃদ্ধ -উচ্চ মানবিশিষ্ট প্ৰজেক্টটোৰে অসম চৰকাৰৰ 'ছায়েন্স টেকন'লজী আৰু এনভাইৰনমেণ্ট' বিভাগৰ পৰা অনুমোদন লাভ কৰে। অনিশ্চয়তাৰে ভৰা গৱেষণাক কেৰিয়াৰ হিচাপে বাছি লৈ অস্থায়ী চাকৰিৰ দৰে চৰকাৰী অনুদানৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ গৱেষণা আৰম্ভ কৰি এটা পৰিৱেশ সৃষ্টি কৰিলে। বুজৰবৰুৱাৰ প্ৰচেষ্টাতে অতি কম সময়ৰ ভিতৰত প্লাজমা ফিজিক্সৰ গবেষণাৰ এটা দল গঢ় লৈ উঠে। ১৯৯১ চনত অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ বিভাগৰ অধীনত প্লাজমা গৱেষণাক এক স্থায়ী ৰূপ দিবৰ বাবে 'চেণ্টাৰ অৱ প্লাজমা ফিজিক্স' গঠন হয়। ইয়াৰ প্ৰথম গৰাকী সঞ্চালকৰ আছিল ড° বুজৰবৰুৱা। তেখেতৰ নেতৃত্বত গঢ়ি উঠা গৱেষকৰ দলটোৰ জৰিয়তে প্লাজমা ফিজিক্সৰ বহুতো ন ন তথ্য আৱিষ্কাৰ কৰা হয় আৰু সেই তথ্য সমূহ দেশ বিদেশৰ বহুতো গবেষণাৰ আলোচনীত প্ৰকাশ পায় ।বিদেশৰ স্বীকৃতিয়ে 'ইনষ্টিটিউট অব এড্ ভান্সড্ ষ্টাডিজ ইন ছায়েন্স এণ্ড টেকন'ল'জী' (আই এ এছ এছ টি)ক প্লাজমা ফিজিক্সৰ এখন নতুন গবেষণা ক্ষেত্ৰ হিচাপে চিহ্নিত কৰে। সেই সময়তে তেওঁ ' আই এ এছ এছ টি' ত্যাগ কৰি সোণাপুৰত নতুনকৈ গঠন হোৱা 'চেণ্টাৰ ফৰ প্লাজমা ফিজি' (চি পি পি)ৰ দায়িত্ব গ্ৰহণ কৰে। ২০০৯ চনত কেন্দ্ৰীয় চৰকাৰৰ এটমিক এনাৰ্জী বিভাগে অসম চৰকাৰৰ পৰা চি পি পি ৰ সকলো দায়িত্ব গ্ৰহণ কৰি গুজৰাটৰ গান্ধী নগৰত থকা 'ইনষ্টিটিউট ফৰ প্লাজমা ৰিছাৰ্চ'ৰ অন্তৰ্ভুক্ত কৰে। এই গৱেষণাৰ মূল লক্ষ্য আছিল জীৱাশ্ম ইন্ধন ব্যৱহাৰে সৃষ্টি কৰা প্ৰদূষণক সূৰ্যই সৃষ্টি কৰা প্লাজমা প্ৰক্ৰিয়াক অনুকৰণ কৰি প্ৰদুষণবিহীন বিক্ৰিয়াৰে অফুৰন্ত বিদ্যুৎ শক্তি উৎপন্ন কৰা। এই কামৰ সফলতাৰ বাবে ভাৰতকে ধৰি বিশ্বৰ ৩৫ খন দেশৰ সহযোগত প্লাজমাৰ সহায়ত বিদ্যুৎ উৎপাদন কৰিবৰ বাবে ফ্ৰান্সত স্থাপিত হোৱা 'ইটাৰ' (ইণ্টাৰনেছনেল থাৰ্মনিউক্লিয়েৰ এক্সপ্ৰিমেণ্টেল ৰিএক্টৰ) ত চি পি পিক গৱেষণাৰ সহযোগী হিচাপে গ্ৰহণ কৰিছে। যাৰ ফলত অসমৰ বিজ্ঞানীয়ে এটা মহৎ কামৰ সহযোগী হোৱাৰ সুযোগ লাভ কৰে।

বৰ্তমান অসম সমগ্ৰ দেশৰ ভিতৰতে প্লাজমা পদাৰ্থ বিজ্ঞান গৱেষণাৰ এক অন্যতম প্ৰধান কেন্দ্ৰ হিচাপে বিবেচিত হৈছে। গুৱাহাটীৰ সোণাপুৰত অৱস্থিত কেন্দ্ৰত 'ফিউজন গ্ৰেড প্লাজমা, প্লাজমা এক্সেলৰেটৰ আৰু প্লাজমা প্ৰযুক্তিৰ ঔদ্যোগিক প্ৰয়োগৰ ওপৰতো উচ্চ পৰ্যায়ৰ গৱেষণা চলাই আছে। তাৰোপৰি চিকিৎসা বিজ্ঞানত সঁজুলি জীৱাণুমুক্ত কৰা, কৃষিৰ ক্ষেত্ৰত বীজৰ গুণগত মান উন্নত কৰাৰ বাবে 'কোল্ড প্লাজমা প্ৰযুক্তি' ব্যৱহাৰৰ নতুন সম্ভাৱনা মুকলি হৈছে।

প্লাজমা গৱেষণাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে তেওঁ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহুতো সন্মান লাভ কৰিছিল। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় জাৰ্নেলত তেওঁৰ প্ৰায় ৮৭টা গৱেষণা সম্পৰ্কীয় প্ৰৱন্ধ প্ৰকাশ পাইছে। তেওঁ ৰ তত্বাৱধানতে ভাৰতৰ চৰকাৰৰ অৰ্থ সাহায্যত প্লাজমা বিজ্ঞান আৰু প্ৰযুক্তিৰ আঠটা গুৰুত্বপূৰ্ণ গৱেষণা সফল হৈছিল। ১৯৮৯ চনত বিজ্ঞানৰ আগশাৰীৰ বঁটা ' বিক্ৰম সাৰাভাই ৰাষ্ট্ৰীয় বঁটা' লাভ কৰা প্ৰথম অসমীয়া ব্যক্তিজন হৈছে ড° সৰ্বেশ্বৰ বুজৰবৰুৱা। ১৯৯৩ চনত তেওঁ 'কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা' লাভ কৰে। তেওঁ ২০০৫-২০০৭ চনলৈকে 'ভাৰতীয় প্লাজমা বিজ্ঞান ছ'চাইটী'ৰ সভাপতি আছিল। এই আসন শুৱনি কৰা তেওঁ দ্বিতীয় গৰাকী অসমীয়া। তেওঁ আহমেদাবাদৰ ফিজিকেল ৰিচাৰ্চ লেবৰেটৰীৰ অতিথি বিজ্ঞানী আৰু বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ফেল' হিচাপেও কাম কৰিছিল। জৰ্মানীৰ বচামৰ ৰুহৰ বিশ্ববিদ্যালয়ৰ ফেল' হোৱাৰ উপৰিও ইংলেণ্ডৰ কুলহাম লেবৰেটৰীৰ সহকাৰী অধ্যাপক আছিল। গুৱাহাটীৰ "ইন্ ষ্টিটিউট অব এডভাঞ্চ ষ্টাডী ইন ছায়েন্স এণ্ড টেকন'ল'জী" ৰ ফেল' আৰু সহকাৰী অধ্যাপক হিচাপেও সেৱা আগবঢ়াইছিল। তেওঁ ইটালী, ছুইডেন, ডেনমাৰ্ক, চুইজাৰলেণ্ড, অষ্ট্ৰিয়া, আমেৰিকা, নতুন দিল্লী, কলকাতাত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সন্মিলনতো অংশ গ্ৰহণ কৰিছিল। অসম চৰকাৰৰ ২০১৮ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাৰ অধীনত তেওঁক 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰা হয়। আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিশিষ্ট প্লাজমা বিজ্ঞানী, উত্তৰ-পূব ভাৰতৰ প্লাজমা গৱেষণাৰ বাটকটীয়া ৰূপে চিৰ পৰিচিত ড° সৰ্বেশ্বৰ বুজৰবৰুৱা।

# জুবিন গাৰ্গঃ বিশ্বৰ 'হামিং কিং'

মানুহে তেওঁক একেবাৰে আপোন বুলি ভাবিছিল। জাতি-ধৰ্মৰ ঊৰ্দ্ধত উঠি এখন সমন্বয়ৰ অসম গঢ়াৰ সপোন তেওঁ দেখিছিল।

ভৱিষ্যত প্ৰজন্ম আৰু জুবিনৰ আদৰ্শ- জুবিন গাৰ্গ একেধাৰে আছিল এজন শ্ৰেষ্ঠ গায়ক, সুৰকাৰ, গীতিকাৰ, অভিনেতা, পৰিচালক আৰু সংগীতজ্ঞ । তেওঁ গীত আৰু সুৰৰ মাধ্যমেৰে সমাজলৈ বিভিন্ন বাৰ্তা কঢ়িয়াই আনিব জানিছিল। আজি তেওঁ আমাৰ মাজত নাই, কিন্তু তেওঁ দি যোৱা বিশাল সৃষ্টিৰাজি আমাৰ হাতত আছে। যদি আমাৰ ভৱিষ্যত প্ৰজন্মই জুবিন গাৰ্গৰ এই মহান আদৰ্শক শিৰত লৈ আগবাঢ়ি যায়, তেন্তে অসমীয়া সংগীত আৰু চলচ্চিত্ৰ উদ্যোগে এক নতুন মাত্ৰা লাভ কৰিব।

তেওঁৰ সেই সুললিত কণ্ঠ আৰু মৰ্মস্পৰ্শী গীতৰ কথাৰ মাজত তেওঁ আমাৰ মাজত চিৰদিন জীয়াই থাকিব। আজিয়ো আমি বুকুত হাত দি অতি গৌৰৱেৰে ক'ব পাৰোঁ- "আমি জুবিন যুগৰ মানুহ।"

জয় জুবিন দা!

# মনত পৰে



**মেৰী বৰদলৈ, নগাঁও**

মনত পৰে  
সেই কথাষাৰলৈ  
যি কথাত আছিল  
কেতিয়াও পাহৰিব নোৱাৰা  
এৰি যাব নোখোজা  
ঘৃণা নকৰা...  
মনত পৰে  
সেই সোণসেৰীয়া আবেলিটোলৈ  
যি আবেলিত আছিল  
মৰম আৰু অভিমানৰ লুকাভাকু  
হাঁহি-ধেমালি  
হাজাৰ কাজিয়া...  
মনত পৰে  
সেই চিপচিপীয়া বৰষুণজাকলৈ  
য'ত নিগৰিছিল  
হৃদয়ৰ পৰা হৃদয় লৈ  
অলেখ প্ৰেমৰ কবিতা  
কেৱল কবিতা...  
মনত পৰে  
সেই ফিৰফিৰীয়া পচোৱাজাকলৈ  
য'ত উমলিছিল একেলগে  
শব্দৰৰ পৰা শব্দলৈ  
দুটি কেঁচা কলিজাত..!

# শিল্পীসত্বাৰ চালিকা

কৰা মন্তব্য তাৎপৰ্যপূৰ্ণ । এখন অচিন বিদেশী ঠাই ছিংগাপুৰত কি পৰিস্থিতিত ৰহস্যজনক ভাবে প্ৰাণৰ শিল্পীগৰাকীয়ে মৃত্যুক আকোঁৱালি ল'লে সকলোৰে মনত আলোড়নৰ সৃষ্টি কৰিলে । শেষ শ্ৰদ্ধাৰে "মায়াবিনী ৰাতিৰ বুকুত" শিল্পীগৰাকীৰ প্ৰিয়গীতটিৰে বিশ্বৰ প্ৰান্তে, প্ৰান্তে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। হিয়াৰ আমঠু সমাধিস্থান সোণাপুৰ -জুবিন ক্ষেত্ৰ এতিয়া তীৰ্থস্থলী। যুৱ-প্ৰজন্মই তেওঁৰ আদৰ্শৰে এক নতুন বাটৰ সূচনা হয় ঈশ্বৰৰ পুত্ৰৰ স্থান ই এক পূৰ্ণভূমি, ই এক মন্দিৰ হওঁক, আশীষ বিচাৰিছো প্ৰাপ্য ন্যায়ৰ । অমৰ হওক আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গ ।

কবিতাৰ ভাষাৰে-

হে দৰদী শিল্পী  
তোমাৰ সৃষ্টিৰাজি  
অপূৰ্ব গীতবোৰ  
মধুৰ উদাত্ত কণ্ঠৰে গোৱা  
আকাশৰ ভোটা তৰাটিৰে  
উজ্জ্বলি ৰ'ব  
অসমীয়া জাতিৰ পৰিচয়ৰে  
প্ৰাণৰ স্পন্দন হৈ  
হৃদয়ে, হৃদয়ে-  
সজীৱ হৈ জীয়াই থাকিব  
মৃত্যুক জিনি অমৰত্বৰে  
চিৰদিন, চিৰকাল  
সশ্ৰদ্ধাৰে যাচিলোঁ সহস্ৰ প্ৰণাম ।

# দিল্লী বিশ্ববিদ্যালয়ত

সংগঠন এনএছইউআই। এই পদটো দখল কৰে নিৰ্দলীয় প্ৰাৰ্থীয়ে। সভাপতি পদত এবিভিপিৰ প্ৰাৰ্থী যশ দাবাছ, সম্পাদকৰ পদত ৰিয়া ছাৱদী আৰু যুটীয়া সম্পাদক পদত লক্ষ্য ৰাজ সিঙে জয়লাভ কৰে। ২০ ৰাউণ্ডৰ ভোট গণনাৰ অন্তত চূড়ান্ত ভোটৰ হিচাপ অনুসৰি ২২, ৫২৩ টা ভোট লাভ কৰা এনএছইউআইৰ প্ৰাৰ্থী বিজয় মীনাক পৰাস্ত কৰি ২৪, ৫৭৬ টা ভোটেৰে সভাপতি পদত দাবাছে জয়লাভ কৰে। উপ-সভাপতি পদত নিৰ্দলীয় প্ৰাৰ্থী ছোকিনে ৩০, ৬১৫ টা ভোট লাভ কৰি জয়লাভ কৰে। একেটা পদত এবিভিপিৰ ইশু মৌৰিয়াই ১৬, ৯১০ টা ভোট লাভ কৰাৰ বিপৰীতে এনএছইউআইৰ বীৰ চত্ৰথে ৪, ৩১৩ টা ভোট লাভ কৰে। সম্পাদক পদত এবিভিপিৰ ৰিয়া ছাৱদীয়ে ২১, ৬৫০টা ভোট লাভ কৰি বিজয়ী হয়। একেটা পদত এনএছইউআইৰ নম্ৰতা চৌধাৰীয়ে ১৪, ৮৬৯ টা ভোট লাভ কৰে। যুটীয়া সম্পাদক পদক এবিভিপিৰ লক্ষ্য ৰাজ সিঙে ১৬, ৬৪১ টা ভোট লাভ কৰি জয়লাভ কৰে। নিৰ্দলীয় প্ৰাৰ্থী বিষেশ যাদৱে ১৫, ৭৭৮ টা ভোট লাভ কৰাৰ বিপৰীতে এনএছইউআইৰ গোপাল চৌধাৰীয়ে ১৫, ১০৬ টা ভোট লাভ কৰে।

# ডিব্ৰুগড়ৰ কানৈ

অভ্ৰনীল শইকীয়া, আলোচনী সম্পাদক পদত কৰবী পাণিফুকন আৰু ক্ৰীড়া সম্পাদক পদত হাৰ্দিক শৰ্মা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। নিৰ্বাচন প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী সহযোগী অধ্যাপক ড° স্বপ্না নাথ ৰিটাৰ্নিং অফিচাৰৰ হ দায়িত্বত থাকে। হিচাপবিদ্যা বিভাগৰ সহকাৰী অধ্যাপক ড° জেকব কোঁৱৰ আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকা সংগীতা গগৈ শেনচোৱাই নিৰ্বাচনী পৰ্যবেক্ষক হিচাপে থাকে। নিৰ্বাচন প্ৰক্ৰিয়া সুকলমে সম্পন্ন হোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

# ডিব্ৰুগড় জিলাৰ ছটা

সাহায্যৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিত মুঠ ৪, ৫৪৭ গৰাকী হিতাধিকাৰীক এই আনুষ্ঠানিক আৰ্থিক সাহায্য বিতৰণ কাৰ্যসূচীৰ অধীনত সামৰি লোৱা হয়। ইয়াৰে ৩, ৯৮৪ গৰাকী চি এম এ এ এ ২.০ আৰু ৫৬৩ গৰাকীচি এমএ এ এ ১.০ৰ অধীনৰ হিতাধিকাৰী। উল্লেখযোগ্য যে, চিএমএএএ ১.০ৰ অধীনত যিসকল হিতাধিকাৰীৰ উদ্যোগে অগ্ৰগতি আৰু কাৰ্যক্ষমতা প্ৰদৰ্শন কৰিছে, তেওঁলোকক পৰৱৰ্তী কিস্তিৰ আৰ্থিক সাহায্যৰ বাবে বিবেচনা কৰা হৈছে। একেদৰে, চি এম এ এ এ ২.০ৰ অধীনত নিৰ্ধাৰিত উদ্যোগিতা বিকাশ কাৰ্যসূচীৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰা আৰু প্ৰয়োজনীয় আনুষ্ঠানিকতা পূৰণ কৰা হিতাধিকাৰীসকলক পৰৱৰ্তী কিস্তিৰ আৰ্থিক সাহায্যৰ বাবে সামৰি লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰৰ পিছত সংশ্লিষ্ট বিধানসভা সমষ্টিসমূহত অনুষ্ঠিত অনুষ্ঠানত হিতাধিকাৰীসকলৰ মাজত অনুমোদিত আৰ্থিক সাহায্যৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। জিলা প্ৰশাসনে সকলো হিতাধিকাৰীক লাভ কৰা আৰ্থিক সাহায্য বিবেচনাপূৰ্ণ আৰু উৎপাদনশীলভাৱে ব্যৱহাৰ কৰি কাৰ্যক্ষম আৰু বহনক্ষম উদ্যোগ গঢ়ি তোলাত গুৰুত্ব দিবলৈ আহ্বান জনায়। লগতে, সংশ্লিষ্ট বিভাগ আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহক হিতাধিকাৰীৰ উদ্যোগ সফলভাৱে স্থাপন আৰু বিকাশৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ, কাৰিকৰী সহায় আৰু হেণ্ডহোল্ডিং সহায় আগবঢ়াবলৈ আহ্বান জনোৱা হয়। "মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান"ৰ মূল উদ্দেশ্য হৈছে উদ্যোগিতাৰ পৰিৱেশ অধিক শক্তিশালী কৰা, হিতাধিকাৰীসকলক বহনক্ষম জীৱিকাৰ সুযোগ গ্ৰহণত সক্ষম কৰি তোলা, নিয়োগৰ সুযোগ সৃষ্টি কৰা আৰু অসমৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশত অৰিহণা যোগোৱাৰ বাবে উৎসাহিত কৰা।

# টাটা ছন্সৰ অধ্যক্ষ

পূৰ্বে ভাৰতীয় ৰিজাৰ্ভ বেংকে (RBI) টাটা ছন্সক তালিকাভুক্তিৰ পৰা ৰেহাই দিয়াৰ আবেদন নাকচ কৰিছিল। ফলত তালিকাভুক্তিৰ সৈতে জড়িত RBIৰ নিয়ম মানি চলাৰ প্ৰয়োজন হ'ব পাৰে। উল্লেখ্য যে চন্দ্ৰশেখৰণে ২০১৭ চনৰ পৰা টাটা ছন্সৰ নেতৃত্ব দি আহিছে। তেওঁ ৰতন টাটাৰ পিছতে অন্তৰ্ৱৰ্তীকালীন অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ব'ৰ্ডে চাইৰাছ মিস্ত্ৰীক বৰ্খাস্ত কৰাৰ পিছত ২০২২ চনত তেওঁ দ্বিতীয়বাৰৰ বাবে পুনৰ নিযুক্তি লাভ কৰিছিল। নতুন সিদ্ধান্ত কাৰ্যকৰী হ'লে এয়া হ'ব তেওঁৰ তৃতীয়টো কাৰ্যকাল।

# বছৰি প্ৰায় ৩, ০০০ কোটি

ইয়াৰ সৈতে ক্ৰিকেট ব'ৰ্ডখনে কোনো ধৰণৰ কৰ ৰেহাই লাভ নকৰে বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। ব'ৰ্ডৰ বাৰ্ষিক সাধাৰণ সভাত ব'ৰ্ড কৰ্তৃপক্ষই জনাই যে দেশৰ অন্যান্য ক্ৰীড়া সংস্থাসমূহৰ দৰে বিচিচিআই কেন্দ্ৰীয় চৰকাৰৰ কোনো আৰ্থিক সাহায্য বা অনুদানৰ ওপৰত নিৰ্ভৰশীল নহয়। বিচিচিআই এক স্বায়ত্তশাসিত প্ৰতিষ্ঠান আৰু চৰকাৰক বুজন পৰিমাণৰ ৰাজহ যোগান ধৰা এক অন্যতম প্ৰধান সংস্থা। সেয়েহে অন্যান্য চৰকাৰী অনুদানপুষ্ট সংস্থাৰ দৰে নীতি-নিয়ম বিচিচিআইৰ ওপৰত পোনপটীয়াকৈ জাপি দিয়াটো যুক্তিসংগত নহয়। কেন্দ্ৰীয় চৰকাৰৰ নতুন ক্ৰীড়া আইনখনৰ সকলো দিশত আপত্তি নাথাকিলেও কেইটামান নিৰ্দিষ্ট চৰ্তত বিচিচিআইৰ দ্বিমত আছে। ছুপ্ৰিম ক'ৰ্টে এই সন্দৰ্ভত কাৰণ বিচাৰাত ব'ৰ্ডৰ যুটীয়া সম্পাদক দেৱজিত শইকীয়াই ব্যাখ্যা দাঙি ধৰি কয়-ক্ৰীড়া আইন সন্দৰ্ভত আমাৰ স্থিতি অতি স্পষ্ট। উক্ত আইনখনক লৈ চৰকাৰী পৰ্যায়ত এতিয়াও কিছু কাম কৰিবলৈ বাকী আছে। উচ্চতম ন্যায়ালয়ত যি আলোচনা হৈছিল, সেই অনুসৰি নীতিসমূহ সংশোধন কৰি নতুনকৈ প্ৰকাশ কৰিলে তাক গ্ৰহণ কৰাত আমাৰ কোনো আপত্তি নাই। ২৭ অক্টোবৰত উচ্চতম ন্যায়ালয়ত হ'বলগীয়া শুনানিত আমি আদালতৰ সন্মুখত আমাৰ সকলো অৱস্থান স্পষ্টকৈ দাঙি ধৰিম। ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ এই স্পষ্টীকৰণে ব'ৰ্ডৰ লাভ-লোকচান আৰু চৰকাৰী নীতি-নিয়মক লৈ চলি থকা সকলো প্ৰশ্ন আৰু জল্পনা-কল্পনাৰ অন্ত পেলালে।

# বিদ্যালয়ত ৭০শতাংশ উপস্থিতি

কাৰোবাৰ বিয়োগৰ দৰে বিশেষ পৰিস্থিতিত অধ্যক্ষসকলক শিক্ষাৰ্থীসকলৰ উপস্থিতিৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ কৰ্তৃত্ব অৰ্পণ কৰা হৈছে। আমি উপস্থিতিৰ শতাংশৰ ক্ষেত্ৰত আৰু অধিক নমনীয়তা বা শিথিলতা আনিব নিবিচাৰোঁ। তেওঁ লগতে উল্লেখ কৰে যে যদিহে ছাত্ৰ সংগঠনসমূহে এই ৭০ শতাংশৰ সীমাক লৈ দ্বিমত পোষণ কৰে, তেন্তে তেওঁলোকক বিকল্প সৰ্বনিম্ন উপস্থিতিৰ হাৰ সন্দৰ্ভত পৰামৰ্শ দিবলৈ কোৱা হৈছিল, কিন্তু এতিয়ালৈকে কোনো সঁহাৰি পোৱা হোৱা নাই। শিক্ষামন্ত্ৰীগৰাকীয়ে আৰু কয় যে বেকলগ থকা শিক্ষাৰ্থীসকলো ৫০ শতাংশ মাচুল ৰেহাইৰ বাবে যোগ্য হৈ থাকিব, যাৰ অধীনত তেওঁলোকে অন্যথা মাচুলৰ আধা অংশ নিজে বহন কৰিব লগা হ'লহেঁতেন। শিক্ষানুষ্ঠানসমূহক নিয়মীয়াকৈ শ্ৰেণীসমূহ পৰিচালনা কৰিবলৈ আহ্বান জনাই তেওঁ সকীয়াই দিয়ে যে অনিয়মীয়া উপস্থিতি আৰু শৈক্ষিক বিফলতাৰ বাবে অৱশেষত শিক্ষাৰ্থীসকল আঁচনিসমূহৰ পৰা বঞ্চিত হ'ব পাৰে। মই মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহক অনুৰোধ কৰিব বিচাৰোঁ যে যদিহে নিয়মীয়া শ্ৰেণী নহয়, তেন্তে শিক্ষাৰ্থীসকল অনুত্তীৰ্ণ হ'ব, আৰু অনুত্তীৰ্ণ হ'লে আঁচনিৰ পৰা তেওঁলোকৰ নাম কৰ্তন হ'ব। মাচুল ৰেহাইৰ ধন পোনপটীয়াকৈ শিক্ষানুষ্ঠানসমূহলৈ যায়, যি ধন তেওঁলোকে নিজৰ পৰিচালনা কাৰ্যত ব্যৱহাৰ কৰে, গতিকে এনেকুৱা হ'লে শিক্ষানুষ্ঠানসমূহৰো লোকচান হ'ব বুলি তেওঁ কয়। অসমত শিক্ষাৰ্থীৰ অনুপস্থিতিক লৈ উদ্বেগ প্ৰকাশ পাই থকাৰ সময়তে মন্ত্ৰী পেগুৱে এই মন্তব্য কৰিছে। শেহতীয়া তথ্য অনুসৰি বিদ্যালয়সমূহত নামভৰ্তি কৰা ৫.৫ লাখ শিক্ষাৰ্থী শ্ৰেণীত অনুপস্থিত আছিল, যিয়ে উপস্থিতিৰ এই সমস্যাটোৰ ভয়াৱহতা প্ৰমাণ কৰে। যোৰহাটত অলপতে সামৰণি পৰা দুদিনীয়া জিলা আয়ুক্তসকলৰ সন্মিলনতো শিক্ষা আৰু অন্যান্য প্ৰশাসনীয় বিষয়ৰ লগতে এই বিষয়টোৱে স্থান লাভ কৰিছিল। স্মৰ্তব্য যে ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ শিক্ষা বৰ্ষৰ বাবে অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ ৰাষ্ট্ৰীয় মেট্ৰিক-উত্তৰ জলপানি আঁচনিৰ অধীনত ১, ৬৬, ১২৮ গৰাকী শিক্ষাৰ্থীৰ মাজত ১৯৪.৫৫ কোটি টকাৰ জলপানি বিতৰণ কৰা হয়।

# নগাঁও উপ-নিৰ্বাচনৰ বাবে

সীমাৰেখাৰ তলৰ পৰা মুক্ত কৰি তেওঁলোকৰ জীৱনত নতুন আশা, নতুন পোহৰ বিয়পাবলৈ সক্ষম হৈছে। আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক উন্নত, বিকাশমুখী অসম হিচাপে গঢ়িবলৈ দিন-ৰাতি একাকাৰ কৰিছে। আত্মনিৰ্ভৰ অসম, বিকশিত অসম, অগ্ৰগামী অসম- এই নীতিৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিগত ৬টা বছৰত সকলোকে লগত লৈ, সকলোৰে বিকাশৰ ৰাজনীতি কৰিছে। বিজয় সংকল্প সমাৰোহত ভাষণ দি মিত্ৰদল অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই তেওঁৰ ভাষণত কয়- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নগাঁও লোকসভা সমষ্টিৰ সমউন্নয়নৰ স্বাৰ্থত বিশেষকৈ চামগুৰি, ৰূপহী, ধিং আৰু লাহৰীঘাট সমষ্টিৰ ৰাইজে দেৱাশিস শৰ্মাক নিৰ্বাচিত কৰিব। ৰাইজে নিজৰ স্বাৰ্থত দেৱাশিস শৰ্মাক বিপুল ভোটত জয়লাভ কৰালে এই সমষ্টিকেইটাৰো সমউন্নয়ন হ'ব। দলৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই মনোনয়ন দাখিলৰ সময়ত তেওঁক সংগ দিয়ে সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, শশীকান্ত দাস, ৰমাকান্ত দেউৰী, প্ৰদ্যুৎ বৰদলৈকে ধৰি কেইবাজনো নেতাই। দলীয় প্ৰাৰ্থীগৰাকীক ঢোলে-দগৰে, জনগোষ্ঠীয় নাচ-গীত পৰিৱেশন কৰি বিশাল সমদলৰ যাত্ৰাৰে ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। ইফালে কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইন, প্ৰাক্তন সাংসদ ৰিপুণ বৰা, দলৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰৰ লগতে কেইবাগৰাকীও বিধায়ক আৰু দলীয় সমৰ্থকক লগত লৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ অন্তত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয় যে কংগ্ৰেছে সদায় মহিলা সবলীকৰণৰ ওপৰত গুৰুত্ব দি আহিছে। সেয়েহে নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনত এগৰাকী মহিলা প্ৰাৰ্থীক প্ৰাৰ্থিত্ব দিছে। গৌৰৱ গগৈৰ মন্তব্য- আমাৰ যুঁজ চৰকাৰৰ লগততহে হ'ব। এই চৰকাৰে যে ভাল কাম কৰা নাই, সেয়া সমগ্ৰ দেশতেই চৰ্চা চলিছে। চৰকাৰে ভাল কাম নকৰাৰ বাবে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে পদত্যাগ কৰিবলগা হ'ল। আনহাতে এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলেও দলীয় নেতা-সমৰ্থকক লগত লৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত আজমলৰ মন্তব্য- এইবাৰ ফলাফল এআইইউডিএফৰ সপক্ষে হ'ব। বিজেপিয়ে এইবাৰ উপ-নিৰ্বাচনত দেৱাশিস শৰ্মাৰ লগতে শিৰামণি বৰাকো প্ৰাৰ্থিত্ব দিছে। কিয়নো কংগ্ৰেছ এতিয়া বিজেপিৰ বি টীম হৈ আছে। মনোনয়ন দাখিলৰ সময়তে বদৰুদ্দিন আজমলৰ ব্যক্তিগত সহায়কৰ পৰা তেওঁৰ ম'বাইল চোৰে চুৰি কৰি লৈ যায়। লাখটকীয়া ফোন চুৰি হোৱাৰ পাছত এক প্ৰকাৰ অস্বস্তিত পৰা আজমলে বিষয়টো সম্পৰ্কত নগাঁও প্ৰশাসনক অৱগত কৰে। ইফালে তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল চালাম, বাঘসেনাৰ হৈ ইউনুছ তামুলী, চিপিআইৰ ইনামুল হুদাৰ লগতে নিৰ্দলীয় প্ৰাৰ্থী ৰূপে ফাৰুক খান, মণিৰুল হুছেইন, মোস্তাকিন আলম, ছাবিনা ইয়াছমিন, ছাইফুৰ ৰহমান, শ্বাহ আলম, প্ৰণৱ কৌশিক, শ্বেইখ কৰিমুদ্দিনেও মনোনয়ন দাখিল কৰে।

# জাতীয় বিদ্যালয়ৰ ৬ লক্ষাধিক

সংগতি ৰাখি ৰাজ্যখনৰ বিভিন্ন জাতীয় বিদ্যালয়ত একেলগে স্মৰণ কৰা হয় জুবিন গাৰ্গৰ সংগীত আৰু সৃষ্টিশীল অৱদানক। মহানগৰীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ পুৱাৰ সমাৰেশত মূল কাৰ্যসূচীত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মা, সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সদস্যা মেঘালী শৰ্মা, ৰূপা দত্ত চৌধুৰী, জুবিন গাৰ্গ ন্যাসৰ সদস্য তথা জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গকে ধৰি জুবিন গাৰ্গৰ কেইবাগৰাকীও আত্মীয়-স্বজন উপস্থিত থাকে। তেওঁলোকৰ উপস্থিতিত জুবিন গাৰ্গৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে। অনুষ্ঠানত উপস্থিত থাকি গৰিমা শইকীয়া গাৰ্গে কয় যে জুবিন গাৰ্গৰ গীত, তেওঁৰ কৰ্ম আৰু মানুহজনক বুজিবলৈ আমি চেষ্টা কৰিব লাগিব। নতুন প্ৰজন্মক তেওঁৰ সৃষ্টি আৰু জীৱন দৰ্শনৰ লগত শুদ্ধ ৰূপত পৰিচয় কৰাই দিব লাগিব। নতুন প্ৰজন্মৰ মাজত জুবিন গাৰ্গৰ সৃষ্টিৰাজিক প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ ক্ষেত্ৰত অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰা প্ৰচেষ্টা সঁচাকৈয়ে একক আৰু অনন্য। জুবিন গাৰ্গ ন্যাসে ভৱিষ্যতে অসম জাতীয় বিদ্যালয়ৰ সৈতে লগ লাগি নতুন প্ৰজন্মৰ মাজত জুবিন গাৰ্গৰ মানৱতা আৰু সৃষ্টিৰ বাণী কঢ়িয়াই নিয়াৰ বাবে একেলগে কাম কৰি যাব বুলি তেওঁ মত প্ৰকাশ কৰে। পুৱাৰ সমাৰেশৰ অনুষ্ঠানত সকলোকে উদ্দেশ্য কৰি 'জুবিন গাৰ্গ অমৰ হওক' শীৰ্ষক 'আজিৰ চিন্তা' পাঠ কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্তই। অসম জাতীয় বিদ্যালয়ৰ প্ৰায় ২, ৫০০ গৰাকী ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ কৰ্মচাৰীয়ে মিলি জুবিন গাৰ্গৰ 'দিয়া ঘূৰাই দিয়া' শীৰ্ষক গীতটো পৰিৱেশন কৰে। অনুৰূপ ধৰণে একে সময়তে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত সমগ্ৰ ৰাজ্যখনৰ আন জাতীয় বিদ্যালয়সমূহতো সৰ্বমুঠ প্ৰায় ছয় লক্ষাধিক শিক্ষাৰ্থীয়ে এই গীতটো পৰিৱেশন কৰে। গীতটো গোৱাৰ পাছত বিদ্যালয় চৌহদৰ পৰা 'শ্ৰদ্ধাৰ্ঘ্য যাত্ৰা'ৰ বাবে দুখন সুসজ্জিত বাহন সমগ্ৰ গুৱাহাটী মহানগৰীত পৰিভ্ৰমণৰ বাবে ওলাই যায়। জুবিন গাৰ্গৰ যুগজয়ী গীতসমূহ বজাই আগবঢ়া বাহন দুখনত জুবিন গাৰ্গৰ প্ৰতিকৃতিত বিভিন্ন ঠাইত গুণমুগ্ধসকলে শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপন কৰে। বাহন দুখনে গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, গুৱাহাটী কলেজ, বি বৰুৱা কলেজ আৰু গুৱাহাটী উচ্চন্যায়ালয়কে প্ৰমুখ্য কৰি গুৱাহাটীৰ মুঠ ৬০টা প্ৰান্তলৈ গৈ প্ৰাণৰ শিল্পীগৰাকীৰ বাবে শ্ৰদ্ধাৰ্ঘ্য যাত্ৰা সমাপন কৰে।

# ৫ লাখ যুৱক-যুৱতীক আত্মনিৰ্ভৰ

আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ যাত্ৰাত সক্ৰিয় অংশীদাৰ হ'বলৈ ৰাজ্যৰ যুৱক-যুৱতীসকলক আহ্বান জনায়। তেওঁ কয় যে যুৱপ্ৰজন্মক স্বাৱলম্বী কৰাৰ পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আৰম্ভ কৰা হৈছে। কিন্তু অভিযানৰ জৰিয়তে আগবঢ়োৱা ধনৰাশিৰ সদ্ব্যৱহাৰেৰে যুৱক-যুৱতীসকলে নিজকে সফলভাৱে গঢ়ি তোলাৰ ওপৰতহে চৰকাৰৰ এই প্ৰচেষ্টাৰ সফলতা নিৰ্ভৰ কৰিব। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমত উদ্যোগ স্থাপন কৰি কৰ্মসংস্থাপনৰ পৰিৱেশ সৃষ্টি কৰাৰ লক্ষ্য লৈছে। অসমৰ যুৱপ্ৰজন্মই ৰাজ্যত স্থাপন হোৱা উদ্যোগসমূহলৈ কেঁচামাল যোগান ধৰিবলৈ শিকিব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে নলবাৰীত অলপতে শুভাৰম্ভ হোৱা পেপ্চিকোৰ উদ্যোগটোক বছৰি ৭০ হাজাৰ মেট্ৰিকটন পৰ্যন্ত আলুৰ প্ৰয়োজন হ'ব। এই পৰিমাণৰ আলু উৎপাদনৰ বাবে প্ৰায় ৫ হাজাৰ কৃষকৰ প্ৰয়োজন। অসমৰ কৃষকে যদি উদ্যোগটোৰ বাবে প্ৰয়োজন হোৱা আলু উৎপাদনত গুৰুত্ব আৰোপ নকৰে, তেনেহ'লে এই আলু বাহিৰৰ পৰা আমদানি কৰিবলগা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ থলুৱা বজাৰত গাখীৰ, কণী, চাউল আদিৰ ব্যাপক চাহিদা থকা সত্বেও এনে সামগ্ৰীসমূহৰ সিংহভাগ বাহিৰৰ পৰা আমদানি কৰিবলগা হয়। ইয়াৰ উদাহৰণ হিচাপে মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে যে অসমত দৈনিক চাহিদাৰ ২০ লাখ লিটাৰ গাখীৰৰ বিপৰীতে মাত্ৰ ২ লাখ লিটাৰ গাখীৰহে উৎপাদন হয়। তেনেদৰে প্ৰায় ৬০ লাখ কণীৰ দৈনিক চাহিদাৰ বিপৰীতে ৰাজ্যখনত ফাৰ্মৰ জৰিয়তে ৬ লাখ কণীহে উৎপাদন হয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ দৰে ৰাজ্য এখনে এনেদৰে সদায় পৰনিৰ্ভৰশীল হৈ থাকিব নোৱাৰে। ৰাজ্যৰ যুৱপ্ৰজন্মই এনে ক্ষেত্ৰসমূহত জড়িত হৈ পৰিলে অসমে আত্মনিৰ্ভৰশীলতাৰ পথত সবলভাৱে খোজ দিবলৈ সক্ষম হ'ব। তেওঁ কয় যে কৃষি, উদ্যানশস্য, পশুপালন আৰু ক্ষুদ্ৰ উদ্যোগৰ সৈতে যদি নৱপ্ৰজন্ম জড়িত হৈ পৰে তেন্তে তেওঁলোকে নিজে আৰ্থিকভাৱে স্বনিৰ্ভৰশীল হোৱাৰ লগতে অসমেও বহিঃৰাজ্যৰ পৰা বহুকেইবিধ সামগ্ৰী আমদানি কৰাৰ প্ৰয়োজন নাথাকিব। ভাষণত মুখ্যমন্ত্ৰীয়ে খাদ্য সংসাধন কৰি মূল্য সংযোজনৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ৰাজ্যৰ কৃষকে তেতিয়াহে উৎপাদিত সামগ্ৰীৰ অধিক মূল্য লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'আত্মনিৰ্ভৰশীল ভাৰত ২০৪৭' দৰ্শনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ এই সপোনকে আগুৱাই লৈ গৈ ৰাজ্য চৰকাৰেও ২০৪৭ চনত আত্মনিৰ্ভৰশীল অসম গঢ়াৰ প্ৰয়াসেৰে আগবাঢ়িছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- 'আমি কেৱল মুখ্যমন্ত্ৰী বা মন্ত্ৰী হ'বলৈ শাসনলৈ অহা নাই। অসমক দেশৰ ভিতৰতে এখন অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাই আমাৰ লক্ষ্য। এই দিশত অসমৰ যুৱক-যুৱতীসকলে সহায়ৰ হাত আগবঢ়াব পাৰে। তেওঁলোকক সহায়ৰ বাবে আমি সদায়ে আছোঁ। পৰিশ্ৰম, ত্যাগ আৰু ইতিবাচক মানসিকতাৰে আমাৰ যুৱপ্ৰজন্ম আগুৱাই যাওঁক।' ভাষণত মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ দৰে পূৰ্বৰ কোনো চৰকাৰে মূলতঃ যুৱ সমাজৰ বাবে বৃহৎ আঁচনি গ্ৰহণ কৰাৰ উদাহৰণ নাই। তেওঁ সদৰী কৰে যে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৰাজ্য চৰকাৰে বৰ্তমানলৈকে ৰ লাখ যুৱক-যুৱতীক স্বাৱলম্বিতাৰ দিশত সহায়ৰ হাত আগবঢ়াবলৈ সক্ষম হৈছে। চলিত বৰ্ষত নতুনকৈ ৫০ হাজাৰ যুৱক-যুৱতীক এই অভিযানৰ জৰিয়তে সামৰি লোৱা হ'ব আৰু ইয়াৰ বাবে আৱেদন প্ৰক্ৰিয়া শীঘ্ৰেই আৰম্ভ হ'ব। বৰ্তমানৰ ৰাজ্য চৰকাৰে এইদৰে ৰাজ্যৰ ৫ লাখ যুৱক-যুৱতীক মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানত অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অসমৰ যুৱপ্ৰজন্মৰ বিভিন্ন কল্যাণকামী আঁচনি ৰূপায়ণৰ বাবে গঠন কৰা যুৱ কল্যাণ আৰু সবলীকৰণ বিভাগৰ কাম-কাজ আনুষ্ঠানিকভাৱে আৰম্ভ হোৱা বুলি ঘোষণা কৰে। এই অনুষ্ঠানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, সাংসদ বিজুলী কলিতা মেধি, তেৰছ গোৱালা, বিধায়ক দিগন্ত কলিতা, প্ৰদ্যুৎ বৰদলৈ, দিপ্লুৰঞ্জন শৰ্মা, প্ৰকাশ চন্দ্ৰ দাস, বিজয় গুপ্তা, হিমাংশু শেখৰ বৈশ্যৰ উপৰি মুখ্য সচিব ড° ৰবি কোটাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# এজন মানুহৰ পৰা

গৰিমা শইকীয়া গাৰ্গ। আজিৰ দিনটোৰ ব্যস্ততাপূৰ্ণ কাৰ্যসূচীৰ মাজতে জুবিনক্ষেত্ৰত উপস্থিত হোৱা শিল্পীপত্নী গৰিমাই হাতত পদুম ফুল লৈ প্ৰিয়তমৰ আশীৰ্বাদ ল'লে। ধৰ্মীয় সকলো ৰীতি-নীতি সম্পূৰ্ণ কৰাৰ পাছতে জুবিনক্ষেত্ৰত প্ৰিয়তমৰ আশীৰ্বাদ লোৱা গৰিমাই পুনৰ আৱেগিক হৈ পৰে। ইয়াৰ পূৰ্বে অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানতো অংশগ্ৰহণ কৰা গৰিমা শইকীয়া গাৰ্গে প্ৰিয় শিল্পীৰ প্ৰতি কণমানি ল'ৰা-ছোৱালীৰ পৰা জ্যেষ্ঠজনৰ আৱেগক উপলব্ধি কৰি কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ কয় যে মানুহৰ মৰম ভাবিব নোৱাৰোঁ। কেতিয়াও ক'তো নেদেখা বিৰল ঘটনা বিগত এটা বছৰত ঘটি আছে। প্ৰতিজনেই নিজৰ মাজত জুবিনক ধাৰণ কৰিছে। এজন ব্যক্তিৰ পৰা হাজাৰজন হৈ পৰিছে জুবিন গাৰ্গ। এটা সৰ্বত্ৰ বিয়পি পৰা সত্তাত পৰিণত হৈছে জুবিন গাৰ্গ। এই সত্তা সদায় অমৰ হৈ থাকক, তাৰেই আশা কৰিছোঁ। বিগত তিনিটা দিনে লক্ষ্য কৰিছোঁ প্ৰতিজন লোকেই তেওঁৰ বাবে কিবা নহয় কিবা এটা লৈ আহিছে। আমি সকলোৰে প্ৰতি কৃতজ্ঞ । যি অভিনৱ পন্থাৰে জুবিনৰ প্ৰতি ৰাইজে নিজৰ মৰম, চেনেহ, শ্ৰদ্ধা আৰু আকুলতা-শুভাশিস প্ৰদৰ্শন কৰিলে সেয়া অবিশ্বাস্য। কেতিয়াও হয়তো এনেধৰণে হোৱা নাই। সমগ্ৰ অসমত ৰাইজে একেধৰণে মনৰ ভাববোৰ প্ৰকাশ কৰিছে। অসম জাতীয় বিদ্যালয়ৰ ব্যতিক্ৰমী প্ৰচেষ্টাৰ শলাগ লৈ তেওঁ কয় যে জ্ঞানৰ মাধ্যমেৰে জুবিনক আজি শ্ৰদ্ধা-মৰম জনোৱাৰ এই অভিনৱ প্ৰচেষ্টাই তেওঁক চিৰদিনৰ কাৰণে অমৰ কৰি ৰাখিব। অসুস্থ স্বাস্থ্যৰে পুত্ৰৰ সত্তাক বিচাৰি জুবিনক্ষেত্ৰত উপস্থিত হ'ল কপিল বৰঠাকুৰ। হুইল চেয়াৰত বহি হ'লেও পুত্ৰৰ সমাধিস্থলীলৈ আহি শ্ৰদ্ধা জ্ঞাপন কৰিলে পিতৃ কপিল বৰঠাকুৰে।

# ডিব্ৰুগড়ত মহিলা

৬.১ অভাৰতে কোনো উইকেট নেহেৰুৱাকৈ বিজয় লক্ষ্যত উপনীত হয়। অপেনাৰ মুস্কান মল্লিকে ২২ ৰান আৰু অৱন্তিকাই ২৯ ৰান কৰি দলক বিজয়ৰ লক্ষ্যত উপনীত কৰোৱায়। অৱন্তিকাক প্লেয়াৰ অফ দা ফাইনেল ঘোষণা কৰা হয়। বঁটা বিতৰণী অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ কাৰ্য্যকৰী সভাপতি মানস জ্যোতি দত্ত, সাধাৰণ সম্পাদক কামাখ্যা শইকীয়া, কোষধ্যাক্ষ প্ৰণৱ সোনোৱাল, যুটীয়া সম্পাদক অঞ্জন বৰুৱা, ক্ৰিকেট বিভাগটোৰ সম্পাদক আব্দুল ৰহমান উপস্থিত থাকি বঁটা সমূহ প্ৰদান কৰে। অনুষ্ঠানত অসম ক্ৰিকেট সন্থাৰ পৰা অহা মেটচ অৱজাৰ্ভাৰ তথা চিলেক্টৰ নাজনিনা চুলতানাক জিলা ক্ৰীড়া সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

# নগাঁও লোকসভা উপ-

২৮ লাখ টকা। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী, প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া শিৰামণি বৰাও এগৰাকী কোটিপতি প্ৰাৰ্থী। মনোনয়ন-পত্ৰৰ লগত দাখিল কৰা তেওঁৰ শপতনামাত উল্লেখ কৰা অনুসৰি, শিৱামণি বৰাৰ অস্থাৱৰ সম্পত্তিৰ পৰিমাণ ২২ লাখ ৮৪ হাজাৰ ৪৭ টকা আৰু তেওঁৰ স্বামীৰ অস্থাৱৰ সম্পত্তিৰ পৰিমাণ ৪২ লাখ ৩৪ হাজাৰ ৪৫৮ টকা। কিন্তু শিৰামণি বৰাৰ হাতত জমা আছে মাত্ৰ ৪২ হাজাৰ ২০০ টকা। তেওঁৰ স্বামীৰ হাতত জমা আছে ৪৮ হাজাৰ টকা। শিৰামণি বৰাৰ স্থাৱৰ সম্পত্তিৰ পৰিমাণ এক কোটি ৬৫ লাখ টকা আৰু তেওঁৰ স্বামীৰ স্থাৱৰ সম্পত্তিৰ পৰিমাণ ২৫ লাখ টকা। শিৰামণি বৰাৰ নগাঁও চহৰত এটা আৰ চি চি বিল্ডিং ব্লক আৰু তেওঁৰ স্বামীৰ গুৱাহাটী আৰ জি বৰুৱা ৰোডত এটা ফ্লেট আছে। শিৰামণি বৰাৰ ১৮, ৪৬, ৮৮৬ টকীয়া এখন টয়টা, ইন'ভা বাহন আছে। তেওঁৰ দহ লাখ টকা মূল্যৰ ১০০ গ্ৰাম ওজনৰ সোণৰ আ-অলংকাৰো আছে। আনহাতে, এ আই ইউ ডি এফ প্ৰাৰ্থী বদৰুদ্দিন আজমলে মনোনয়ন-পত্ৰৰ সৈতে দাখিল কৰা শপতনামাত উল্লেখ থকা মতে, তেওঁৰ বিৰুদ্ধে কৰিমগঞ্জ থানাত পঞ্জীয়নভুক্ত হৈ থকা গোচৰ নং ৭১০/২০২২ আৰু কাৰ্বি আংলং জিলাৰ বৈথালাংছ' থানাত পঞ্জীয়নভুক্ত গোচৰ নং ৯২/২০২২ ফৌজদাৰী গোচৰ দুটা বিচাৰাধীন অৱস্থাত আছে। ইয়াৰে বৈঠালাংছ' থানাত পঞ্জীয়নভুক্ত গোচৰটো পশ্চিম কাৰ্বি আংলঙৰ মুখ্য ন্যায়াধীশৰ আদেশমৰ্মে ২০২৩ বৰ্ষৰ ১২ আগষ্টত কৰিমগঞ্জ থানালৈ স্থানান্তৰিত কৰা হয়। যিহেতু দুয়োটা গোচৰ তদন্ত পৰ্যায়ত আছে সেয়ে প্ৰাৰ্থীগৰাকী বৰ্তমানলৈকে দোষী সাব্যস্ত হোৱা নাই। ইপিনে, বিজেপি প্ৰাৰ্থী দেবাশিস শৰ্মা আৰু কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাৰ নামত কোনোধৰণৰ অপৰাধমূলক গোচৰ নাই বুলি তেওঁলোকে শপতনামাত উল্লেখ কৰে।

## ENGLISH NEWS SECTION

# Nasha Mukt Bharat Sankalp Padayatra reaches Sribhumi; Assam Governor attends it



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya today attended the second-day of the Nasha Mukt Bharat Sankalp Padayatra in Sribhumi, carrying forward the campaign that was launched by him yesterday at Cachar. It may be noted that the Padayatra is being organised across 10 districts of Assam to generate awareness against substance abuse and strengthen public participation in the movement for a drug-free Assam. Addressing a public gathering at the District Library, the Governor said that the initiative draws inspiration from the vision of Prime Minister Shri Narendra Modi for a Nasha Mukt Bharat and a Viksit Bharat. The Governor said that the second day of the Padayatra, at Sribhumi represented a collective resolve for building a deterrent against drug abuse. He called upon people from all sections of society to join the campaign and ensure that its message reaches every part of Assam. Recalling the literary and cultural significance of Sribhumi, the Governor said that coming to this historic land naturally brings to mind Gurudev Rabindranath Tagore and his deep appreciation of the region. He said that while preserving its rich cultural heritage and identity, Sribhumi is moving forward on a new journey of development. From this land, he said, a renewed resolve must be initiated to build a healthy, empowered and drug-free society. Stressing the importance of protecting the youth, Shri Acharya said that substance abuse not only harms individuals but also affects families and society. He called for creating an environment in which young people have positive opportunities, strong family support and the confidence to seek help when required.

# Assam Governor Shri Acharya confers degrees at 15th convocation of Assam Don Bosco University

Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya today called upon graduating students of Assam Don Bosco University to use their education not merely as a means of personal advancement, but as an instrument to create positive change in society and contribute to the nation's development. Addressing the 15th Convocation Ceremony of Assam Don Bosco University at, the Governor congratulated the graduating students and acknowledged the contribution of their parents, families and teachers in supporting them throughout their academic journey. Terming the convocation as both a celebration of achievement and the beginning of a new phase of life, the Governor said that a degree is a testimony to academic accomplishment, but a student's true identity in the years ahead would be shaped by knowledge, behaviour, decisions and contributions to society. Recalling the life and legacy of Saint Don Bosco, the Governor said that his importance on education, guidance and the holistic development of young people remains relevant even today. He expressed appreciation for Assam Don Bosco University for carrying forward this legacy through the integration of education, skills, innovation and humanity. "Your education should give direction to your life and also become a means of bringing positive changes to the lives of others and to society," the Governor said. He also observed that the graduating students are entering the professional world at an important phase in




India's development journey. Referring to the vision of Viksit Bharat, he said that the coming decades would offer young people unprecedented opportunities to participate in the transformation of the country.

# India thrash Uzbekistan 19-0 in Asian Games 2026 women's hockey opener



RB News: The India women's hockey team began their Asian Games 2026 campaign with a dominant 19-0 win over Uzbekistan in their Pool B opener at Gifu Prefectural Green Stadium on Sunday. Forward Deepika was the star of the show, scoring eight goals, including five from penalty corners, while Ishika also completed a hat-trick as India produced a one-sided performance. Lalremsiami opened the scoring for India in the sixth minute after Navneet Kaur's initial attempt was saved by the Uzbekistan goalkeeper, but India recovered the ball and Lalremsiami slotted it home. India will next face Indonesia on Monday.

# India win their 1st medal at Asian Games 2026




RB News: India won silver medal in the women's 10m air rifle team event at the Asian Games 2026 in Aichi-Nagoya, Japan, opening their account in the medal tally. Elavenil Valarivan, Sonam Uttam Maskar and Vidarsa K Vinod combined for a score of 1898.0 to secure the podium finish. Sonam shot 634.1, Elavenil shot 633.5 and Vidarsa registered 630.4. Hosts Japan finished third with 1897.1 points. This is India's first confirmed medal at the Aichi-Nagoya 20th Asian Games. MMA fighter Suchika Tariyal was the first Indian athlete to assure a medal, reaching the women's Traditional MMA 60kg semi-finals.

# 'জুবিন দা' চিৰকাল অসমীয়াৰ হৃদয়ত জীয়াই থাকিব এটি সুমধুৰ শক্তিশালী গীত হৈ ...



মানসী মিশ্ৰ

মানুহ স্তব্ধ হৈ গৈছিল। মানুহে পৰস্পৰৰ মাজত কথা বতৰাৰ আদান প্ৰদান কৰিবলৈ পাহৰি গৈছিল। কেৱল ইজনে সিজনৰ মুখলৈ চাইছিল আৰু চকুলো টুকিছিল। সকলোৰে মনত এটাই প্ৰশ্ন জুবিন দা ইমান হঠাতে কেনেকৈ হেৰাই গ'ল। জুবিন দাৰ দৰে এগৰাকী ব্যক্তি ইমান সোনকালে নোহোৱা হৈ যাব পাৰে জানোঁ? কথাখিনি কোনেও মানি ল'ব পৰা নাছিল। তেখেতৰ অকাল বিয়োগক কোনেও এবাৰলৈয়ো হৃদয়েৰে মানি লব পৰা নাছিল। খাওঁতে, শোওঁতে জুবিন দাৰ গীত শুনিয়েই মন ভাল লাগোৱা অসমীয়া ৰাইজে তেখেতৰ এই অস্বাভাৱিক মৃত্যুক কোনো কাৰণতে মানি ল'ব পৰা নাছিল। শিশু, কিশোৰ, যুৱকৰ পৰা আদহীয়া, বৃদ্ধালৈকে সকলোৰে কেৱল মাথোঁ কান্দিছিল আৰু কান্দিছিল। এনেকৈয়ে ১৯ ছেপ্টেম্বৰৰ দিনটোত অসমীয়া ৰাইজলৈ কাল অমানিশা নামি আহিছিল। খবৰটো নিশ্চিত হোৱাৰ লগে লগে সকলোফালে এক নিমাও মাও পৰিবেশে বিৰাজ কৰিছিল। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে ভিন্ন এলেকাৰ মানুহ আহি গুৱাহাটীত উপস্থিত হৈছিল তেওঁলোকৰ হিয়াৰ আমঠু প্ৰিয় শিল্পী গৰাকীক দৰ্শন কৰিবলৈ। আমাৰ আদৰৰ জুবিন দাৰ নশ্বৰ দেহ চিংগাপুৰৰ পৰা গুৱাহাটী আহি পোৱাৰ বহু আগতে গুৱাহাটীখন লাখ লাখ লোকেৰে লোকাৰণ্য হৈছিল। বহুতেই ৰাতিটোৰ ভিতৰতে তিনি চাৰি ঘন্টাৰ ৰাস্তা খোজকাঢ়িয়েই নিশাৰ ভিতৰতে জুবিন দাৰ বাসগৃহৰ পদূলিত উপস্থিত হৈছিল। সকলোৰে চকুত আছিল চকুলো। আবেগিক জনতাক প্ৰথম অৱস্থাত আৰক্ষীয়েও চম্ভালিব পৰা নাছিল। এগৰাকী মানুহক অন্তৰেৰে কিমান ভাল পালে মানুহে এগৰাকী ব্যক্তিৰ বাবে নিশাটোৰ ভিতৰতে চাৰি পাঁচ ঘন্টা খোজ কাঢ়ি জুবিন দাৰ পদুলিত উপস্থিত হব পাৰে। কেনেকৈনো জুবিনদাক অন্তৰেৰে ভালপোৱা মানুহে ৩৬৫টা দিন অতিবাহিত কৰিলে সেয়া আমাৰ সকলোৰে মনত একোটা ডাঙৰ ভাঙৰ প্ৰশ্ন। ইয়াৰ সমিধান দিব পৰাকৈ মানুহৰ হাতত নিৰ্দিষ্ট উত্তৰো নাই। বহু সংখ্যক লোকৰে জীৱনৰ ৰঙ, আনন্দ সমূহ বহু দিনলৈ স্তব্ধ হৈ পৰিছিল। বহুমাহলৈ মানুহে ব্যক্তিগত জীৱনৰো সুখ, আনন্দ কৰিবলৈ পাহৰি গৈছিল। আমোদ প্ৰমোদৰ বহু অনুষ্ঠান বন্ধ কৰি দিছিল। কেৱল জুবিন গাৰ্গ নামৰ এই বিশেষ ব্যক্তি গৰাকী বিশেষ সত্বাটোক হৃদয়েৰে বিচাৰি ফুৰিছিল। আমাৰ সকলোৰে আদৰৰ হিয়াৰ আমঠু জুবিন গাৰ্গে জন্ম গ্ৰহণ কৰিছিল মানুহৰ বাবে, কাম কৰিছিল মানুহৰ বাবে। সেয়েহে মানুহক আনন্দ আৰু সুখ দিব পৰাকৈ কেৱল সৃষ্টিৰ কামকে কৰি গৈছিল। আনৰ সুখৰ বাবে আনৰ উপকাৰৰ বাবে তেওঁ অহৰহ কাম কৰি গৈছিল। মানুহৰ প্ৰতি কিমান মৰম, চেনেহ, আন্তৰিকতাৰ ভাৱ থাকিলে ইমান কম সময় পৃথিৱীত জীয়াই থাকি মানুহৰ বাবে ইমান অগণন সৃষ্টি কৰিব পাৰে। ৩৮, ০০০ গান অসমৰ ৰাইজক ইমান কম সময়ৰ ভিতৰতে উপহাৰ দি যোৱাটো ইমান সহজ সাধ্য কথা হ'ব নোৱাৰে। এই গীতসমূহৰ অধিক সংখ্যকেই তেখেতে নিজে লিখা, নিজে সুৰ কৰা। ইয়াৰ মাজতে বহুকেইখন উচ্চমানৰ অসমীয়া কথাছবিও নিৰ্মাণ কৰিলে।

মানুহৰ বাবে জন্ম লৈছিল, মানুহৰ বাবে কাম কৰি গৈছিল আমাৰ আদৰৰ জুবিন দাই। কৰ্মই আছিল তেখেতৰ ধৰ্ম। নিজৰ চৌপাশে থকা মানুহবোৰোকো কাম কৰি যাবলৈ উদ্‌গনি দিছিল। সেইবাবে অতি দুৰ্ভাগ্যজনক ভাৱে জুবিন দাক হেৰুৱাই কোটি কোটি মানুহ আবেগ বিহ্বল হৈ পৰিছিল। তেওঁলোকে সেই দুৰ্ভাগ্যজনক ঘটনাটো এতিয়ালৈকে মানি ল'ব পৰা নাই। বহু সময়ত বহু কিবাকিবি আনন্দৰ মুহূৰ্ত আহি থাকিলেও সকলোফালে স্তব্ধতা আৰু শূণ্যতাই বিৰাজ কৰিব পৰা নাই। বিভিন্ন আনন্দদায়ক মূহুৰ্ত আহিলেও মানুহে মন খুলি আনন্দ প্ৰকাশ কৰিব পৰা নাই। কিবা এক স্তব্ধতা আৰু শূণ্যতাই আমাক আগচি ধৰে । ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰৰ সেই দুৰ্ভাগ্যজনক খবৰটো সত্য বুলি গম পোৱাৰ পিছত নিজে নিজেই স্তব্ধ হৈ পৰিছিল সকলো। কেৱলমাত্ৰ মানুহবোৰে নিজৰ নিজৰ মবাইলতে মায়াবিনী ৰাতিৰ বুকুত গীতটো বজাইছিল আৰু সেই গীতৰ সুৰে সুৰে গাই আছিল মায়াবিনী ৰাতিৰ বুকুত...। সেইদিনটোৰ পৰাই আজিৰ দিনটোলৈ বিভিন্ন অনুষ্ঠানত এই গীতটি গায়েই আছে। আমাৰ সমাজত হৈ থকা বিয়া সবাহ, অন্যান্য সামাজিক অনুষ্ঠান আমাৰ সকলোৰে আদৰৰ জুবিন গাৰ্গৰ ফটো আগত ৰাখি চাকি ধূপ জ্বলাই শ্ৰদ্ধা জ্ঞাপন কৰে।

পাৰ হৈ যোৱা দিনসমূহত আমি সকলোফালে মহাশূণ্যতা অনুভৱ কৰিছোঁ এইকেইটা মাহৰ ভিতৰত পূজা, দীপাৱলী, নৱবৰ্ষ উদযাপন, ভোগালী বিহুৰ দৰে অনুষ্ঠান উদযাপন কৰা হ'ল যদিও এই সকলো অনুষ্ঠানতে এক শূণ্যতাই বিৰাজ কৰিছে। প্ৰতিটো উৎসৱ পাৰ্বনৰ সময়তে আমাৰ আদৰৰ জুবিন দাৰ শেষকৃতস্থলীত যথেষ্ট লোকৰ সমাগম হয়। সকালাৰে যে ধূপ, চাকি, গামোচা, খোৱা বস্তু হাতত লৈ তেওঁক সংগ দিবলৈ যায়। উৎসৱ পাৰ্বণৰ দিনকেইটাত জুবিন দা তাত অকলে থাকিব সেই কথা কাৰোৰেই মনে নকয়। এনে বহু সংখ্যক লোকো আছে যি সফলে দিনৰ ভাগত কাম কাজত ব্যস্ত থাকি নিশাৰ ভাগত জুবিন ক্ষেত্ৰলৈ গৈ কিছু সময় অতিবাহিত কৰে।

আজিৰ বস্তুবাদী সমাজত যি সময়ত মানুহে নিজৰ পৰিয়ালৰ মানুহৰ খবৰ লবলৈ আহৰি নাপায় তেনে ক্ষেত্ৰত মানুহে নিজৰ ব্যস্ততাপূৰ্ণ জীৱনৰ পৰা সময় উলিয়াই জুবিন দাৰ ওচৰলৈ গৈছে। ইয়াৰ পৰাই গম পোৱা যায় যে মানুহৰ প্ৰতি কিমান আন্তৰিক ভালপোৱা থাকিলে মানুহে মানুহৰ বাবে এইখিনি কৰিব পাৰে। আমাৰ এই আদৰৰ শিল্পী গৰাকীয়ে আমাক সকলোকে স্তব্ধ কৰি শূণ্য কৰি আঁতৰি গৈছে। আচলতে আমাৰ জুবিন দাক এনেদৰে অকালতে হেৰোৱাব লাগিব বুলি কোনেও ভবা নাছিল। সেইবাবে জুবিন দাৰ কায়িক অনুপস্থিতিক কোনেও মানি লবও পৰা নাই। যি গৰাকী জুবিন গাৰ্গে অসমীয়াক নিজৰ সৃষ্টিকৰ্মৰ মাজেৰে বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিলে, যি গৰাকী 'জুবিন দা' সমাজ আক সংস্কৃতিক ভালপোৱা প্ৰতি গৰাকী অসমীয়াৰ হৃদয়ৰ স্পন্দন আছিল সেই গৰাকী জুবিন দা কায়িক ভাৱে নোহোৱা হৈ যোৱাটো কোনেও মানি লব পৰা নাই। জুবিন দা আমাৰ লগতে আছে বুলি মানুহে ভাৱে। কিবা এটা ভালকাম কৰিবলৈ লোৱাৰ আগতে জুবিন গাৰ্গ নামৰ এই সুবিশাল সত্বাক মনত পেলায়, তেওঁৰ অস্তিত্বক উপলব্ধি কৰে। আন্তৰিক উপলব্ধিৰে সকলোৱে নিজৰ মাজত জুবিন দাক জীয়াই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰিছে। এইবাৰটা মাহ বহু বেদনা আৰু উপলব্ধিৰ মাজত অসমৰ ৰাইজে পাৰ কৰিলে ১৯ ছেপ্তেম্বৰ জুবিন দা কায়িক ভাৱে আঁতৰি যোৱা দিনটোক আমি অসমীয়া জাতিয়ে মৃত্যু দিৱস হিচাপে চিহ্নিত কৰিব বিচৰা নাই। এয়া জুবিন দিৱস হিচাপে এই মহান শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱাৰ বাবে আগবাঢ়িছে। তিনিদিনীয়াকৈ ভিন্ন কাৰ্যসূচীৰ মাজেৰে এই জুবিন দিৱস উদযাপিত হ'ব। অৱশ্যে জুবিন গাৰ্গ, ভূপেন হাজৰিকাৰ দৰে বিশ্ববৰেণ্য শিল্পীক মনত পেলাবলৈ এটা বা দুটা দিনেই যথেষ্ট নহয়। চিৰদিন তেওঁলোক আমাৰ মাজত জীয়াই থকাটো কামনা কৰোঁ। তেওঁলোকক ৰাইজেই চিৰদিনলৈ জীয়াই ৰাখিব লাগিব তেওঁলোকৰ অনুপম, অনবদ্য সৃষ্টি ৰাজিৰ মাজেৰে। সদায় অনুভৱ কৰাৰ দৰে আজিও এবাৰ সজোৰে কওঁ জুবিন দাৰ দৰে এগৰাকী অতি উচ্চমানৰ শিল্পীক সোনকালে "ভাৰতৰত্ন" দৰে সন্মান প্ৰদান কৰাৰ বাবে চৰকাৰে আগভাগ ল'ব লাগে। জুবিন দাই যি দুৰ্ভাগ্যজনক ঘটনাৰ বাবে অকালতে আমাৰ মাজৰ পৰা আঁতৰি যাব লগীয়া হ'ল সেই ঘটনাৰ সঠিক আৰু নিৰপেক্ষ বিচাৰ হ'ব লাগে যাতে জুবিন দাৰ পৰিয়ালে ন্যায় লাভ কৰে। শেষত আকৌ এবাৰ হৃদয়ৰ সমস্ত অনুভূতিৰে কওঁ যে 'জুবিন দা' চিৰকাল আমাৰ মাজত জীয়াই থাকিব এটি দীঘলীয়া গীত হৈ, চিৰদিনলৈ জীয়াই থাকিথ কেইটামান সুমধুৰ শক্তিশালী শব্দহৈ।

## শাৰদীয় স্তৱক



প্ৰভাত বণিয়া

শৰত আহিলেই শেৱালীৰ সুগন্ধত  
মলমলায় পদুলি  
নৈৰ নিজানত হালেজালে শুভ্ৰ শুভ্ৰ কহুৱা ফুল  
ৰঙতে মতলীয়া হয় জীয়াৰী-বোৱাৰী  
শিশু চেমনীয়া, ডেকা-গাভৰু,  
বাজে ধাক ঢোল  
শংখ ঘণ্টা  
দেৱী দুৰ্গা আহে মৰ্তলোকলৈ  
মন হয় উন্মনা  
আন্ধাৰ আঁতৰি যায় ।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

## নৱম ৰাষ্ট্ৰীয় পোষণ মাহ, ২০২৬ উপলক্ষে

# পুষ্টিহীনতা দূৰীকৰণ আৰু পোষণ মাহ

যোৰাখণ্ডৰ পৰা... দ্বীপেন বৰুৱা




আন এক বিশেষ লক্ষ্য হৈছে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা (PMMVY) আৰু মাতৃৰ স্বাস্থ্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা। ইতিমধ্যে দহ বছৰ সম্পূৰ্ণ হোৱা কেন্দ্ৰীয় চৰকাৰৰ এই ধ্বজাবাহী আঁচনিৰ জৰিয়তে মাতৃৰ স্বাস্থ্য আৰু পুষ্টি আচৰণক উৎসাহিত কৰাৰ লগতে যোগ্য হিতাধিকাৰীলৈ আৰ্থিক সহায় আগবঢ়োৱা হয়। চৰকাৰৰ ই এক গুৰুত্বপূৰ্ণ মাতৃত্বকালীন সুবিধা কাৰ্যসূচী (Maternity Benefit Programme)। গৰ্ভৱতী মহিলাৰ বাবে সময়মতে গৰ্ভকালীন স্বাস্থ্য পৰীক্ষা কৰা, পৰ্যাপ্ত পুষ্টিকৰ খাদ্য গ্ৰহণ কৰা, স্বাস্থ্যকৰ অভ্যাস বজাই ৰখা আৰু প্ৰয়োজনীয় স্বাস্থ্যসেৱা গ্ৰহণ কৰাটো অতি গুৰুত্বপূৰ্ণ। এই পদক্ষেপসমূহে মাতৃ আৰু গৰ্ভস্থ শিশুৰ সুস্বাস্থ্য নিশ্চিত কৰাত সহায় কৰে। সেয়ে এইবৰ্ষৰ পোষণ মাহত এই আঁচনিৰ ১০০ শতাংশ সংপৃক্তকৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে যাতে কোনো যোগ্য মহিলা আঁচনিখনৰ সুবিধাৰ পৰা বাদ নপৰে। তদুপৰি আঁচনিখনৰ যোগ্যতাৰ মাপকাঠী, উপলব্ধ সুবিধা, কিস্তিৰ ধৰণ আৰু আবেদন কৰাৰ পদ্ধতি সম্পৰ্কে মহিলাসকলক সহজ ভাষাত অৱগত কৰাটোও অত্যন্ত প্ৰয়োজনীয়।

পুষ্টিহীনতাৰ বিৰুদ্ধে যুঁজখন দীৰ্ঘম্যাদী। এটা শিশুৰ অপুষ্টি এদিনতে সৃষ্টি নহয় আৰু ইয়াক এটা মাহৰ ভিতৰতে সম্পূৰ্ণৰূপে দূৰ কৰাটোও সম্ভৱ নহয়। কিন্তু সঠিক বাৰ্তা, সময়োপযোগী সেৱা আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণ ধাৰাবাহিকভাৱে নিশ্চিত কৰিব পাৰিলে ইতিবাচক পৰিৱৰ্তন সম্ভৱ। পোষণ মাহে সমাজৰ বিভিন্ন স্তৰৰ লোকক একত্ৰিত কৰি একে সময়তে পুষ্টি, স্বাস্থ্য, শিশুৰ যত্ন আৰু সচেতনতাৰ দৰে একাধিক ক্ষেত্ৰত সমন্বিতভাৱে কাম কৰাৰ এক গুৰুত্বপূৰ্ণ সুযোগ প্ৰদান কৰে। অসমৰ দৰে ভৌগোলিক, সামাজিক আৰু সাংস্কৃতিকভাৱে বৈচিত্ৰ্যময় ৰাজ্যত পোষণ অভিযানৰ সফলতাৰ বাবে স্থানীয় খাদ্য, স্থানীয় জ্ঞান আৰু স্থানীয় সমাধানক বিশেষ গুৰুত্ব দিয়া প্ৰয়োজন। কিয়নো অসমৰ বিভিন্ন জনগোষ্ঠীৰ নিজস্ব খাদ্যাভ্যাস আৰু খাদ্য-সংস্কৃতি আছে যিবোৰক পুষ্টি-সচেতনতা আৰু পুষ্টিকৰ খাদ্যৰ প্ৰচাৰত ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পাৰি। তদুপৰি, অসমৰ বানপীড়িত আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগপ্ৰৱণ অঞ্চলসমূহত পুষ্টি আৰু স্বাস্থ্য সেৱাৰ ধাৰাবাহিকতা বজাই ৰখাটো এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। এনে পৰিস্থিতিত দুৰ্যোগৰ পূৰ্বেই প্ৰয়োজনীয় পৰিকল্পনা গ্ৰহণ, সেৱা প্ৰদানকাৰীসকলৰ মাজত সমন্বয় বৃদ্ধি আৰু স্থানীয় সম্প্ৰদায়ৰ সক্ৰিয় সহযোগিতা নিশ্চিত কৰাটো অতি জৰুৰী।

এটা অংগনৱাড়ী কেন্দ্ৰ ভাল হ'বলৈ কেৱল অংগনৱাড়ী কৰ্মীৰ আন্তৰিকতাই যথেষ্ট নহয়। অভিভাৱকে শিশুক নিয়মীয়াকৈ কেন্দ্ৰলৈ পঠিয়াব লাগিব। মাতৃসকলে পুষ্টিকৰ খাদ্য আৰু শিশুৰ যত্নৰ বিষয়ে জানিব লাগিব। স্থানীয় গাওঁ পঞ্চায়তসমূহে প্ৰয়োজনীয় সহায় কৰিব লাগিব। অংগনবাড়ী কেন্দ্ৰ পৰিচালনা সমিতিয়ে নিজ-নিজ কেন্দ্ৰৰ সেৱাসমূহ পৰ্যবেক্ষণ কৰিব লাগিব। স্বাস্থ্যকৰ্মীয়ে অংগনৱাড়ী কৰ্মীৰ সৈতে সমন্বয় কৰিব লাগিব আৰু সমাজে কেন্দ্ৰটোক নিজৰ অনুষ্ঠান হিচাপে গ্ৰহণ কৰিব লাগিব। এগৰাকী মাতৃয়ে যদি নিজৰ শিশুৰ ওজন আৰু বিকাশৰ বিষয়ে সচেতন হয়, এগৰাকী পিতৃয়ে যদি শিশুৰ খাদ্যত প্ৰ'টিন আৰু বৈচিত্ৰ্যৰ প্ৰয়োজনীয়তা বুজি পায়, এখন গাঁওসভাই যদি অংগনৱাড়ী কেন্দ্ৰৰ সেৱাৰ মানৰ ওপৰত আলোচনা কৰে আৰু এটা অংগনৱাড়ী কেন্দ্ৰত যদি শিশুৰ বাবে পুষ্টিকৰ আহাৰৰ সৈতে খেল আৰু শিক্ষাৰ পৰিৱেশ গঢ়ি উঠে, তেতিয়াহে পোষণ মাহৰ লক্ষ্য আৰু উদ্দেশ্যই বাস্তৱ ৰূপ লাভ কৰিব।।

# জুবিন গাৰ্গঃ অসম, সমাজ আৰু এক বিশ্বজনীন চিন্তাৰ সুৰ



বনজিৎ শৰ্মা,সহকাৰী শিক্ষক,ঢেকীয়াজুলী

অসমীয়া সংগীতৰ ইতিহাসত কিছুমান শিল্পীৰ আগমন কেৱল নতুন এজন শিল্পীৰ আগমন নহয়; ই এক নতুন সময়ৰ আৰম্ভণি। জুবিন গাৰ্গ তেনে এজন শিল্পী, যিয়ে অসমীয়া সংগীতক নতুন সুৰ, নতুন সংগীত-চিন্তা আৰু নতুন প্ৰজন্মৰ সৈতে এক শক্তিশালী সংযোগ প্ৰদান কৰিছিল। তেওঁক কেৱল এজন গায়ক, সংগীতজ্ঞ বা চলচ্চিত্ৰ- নিৰ্মাতা হিচাপে চালে তেওঁৰ ব্যক্তিত্বৰ এটা গুৰুত্বপূৰ্ণ অংশ আমাৰ দৃষ্টিৰ আঁৰত ৰৈ যায়। তেওঁৰ সৃষ্টিৰ মাজত আছিল সমাজৰ প্ৰতি দায়বদ্ধতা, মানুহৰ প্ৰতি মমতা, নিজৰ মাটি আৰু সংস্কৃতিৰ প্ৰতি গভীৰ টান আৰু একে সময়তে বিশ্বৰ সৈতে সংযোগ স্থাপনৰ আকাংক্ষা। তেওঁৰ চিন্তাৰ মাজত যেন এক বিশেষ সমন্বয় আছিল- নিজৰ শিপাত দৃঢ়ভাৱে থিয় হৈ পৃথিৱীখনক মুকলি মনেৰে চোৱাৰ সমন্বয়।

জুবিন গাৰ্গ আছিল এটা সাধাৰণ পৰিয়ালৰ সন্তান। তেওঁৰ জন্ম হৈছিল যোৰহাটত। অৱশ্যে পিতৃৰ কৰ্মসূত্ৰে শৈশৱ আৰু কৈশোৰৰ বহু সময় অসমৰ বিভিন্ন ঠাইত কটোৱাৰ সুযোগ লাভ কৰিছিল। অসমৰ বিভিন্ন অঞ্চলৰ মানুহ, সমাজ, সংস্কৃতি আৰু পৰিৱেশৰ সৈতে সৰুৰে পৰাই পৰিচিত হোৱাৰ এই অভিজ্ঞতাই তেওঁৰ মনোজগতকো সমৃদ্ধ কৰিছিল বুলি অনুভৱ কৰিব পাৰি। অসমৰ বিভিন্ন সামাজিক-সাংস্কৃতিক পৰিৱেশৰ সৈতে পৰিচিত হোৱাৰ ফলত তেওঁৰ দৃষ্টিভংগী অধিক মুক্ত, উদাৰ আৰু বৈচিত্ৰ্য গ্ৰহণক্ষম হৈ উঠিছিল। তেওঁ কেৱল সংগীতৰ প্ৰতিহে আগ্ৰহী নাছিল; বিভিন্ন বিষয়ৰ কিতাপ-পত্ৰ পঢ়াৰ প্ৰতিও তেওঁৰ আগ্ৰহ আছিল। এই পঢ়া-শুনাৰ অভ্যাসে তেওঁৰ চিন্তাৰ পৰিসৰ বহল কৰাত সহায় কৰিছিল। সেইবাবেই পৰৱৰ্তী সময়ত তেওঁৰ ব্যক্তিত্ব কেৱল এজন গায়ক বা সংগীতজ্ঞৰ পৰিচয়ত আবদ্ধ হৈ নাথাকিল। সাহিত্য, সমাজ, ৰাজনীতি, সংস্কৃতি, চলচ্চিত্ৰ, প্ৰকৃতি আৰু মানুহৰ জীৱন-বিভিন্ন বিষয়ৰ প্ৰতি তেওঁৰ কৌতূহল আৰু আগ্ৰহে তেওঁৰ ব্যক্তিত্বক কৰি তুলিছিল বহুমুখী আৰু স্বতন্ত্ৰ।

জুবিন গাৰ্গৰ প্ৰথম এলবাম 'অনামিকা'ৰ সময়ছোৱাতেই অসমীয়া সংগীতত এক নতুন ধৰণৰ পৰিৱৰ্তন অনুভৱ কৰিবলৈ আৰম্ভ কৰা হৈছিল। অসমীয়া লোকসংগীত আৰু পৰম্পৰাগত সুৰৰ সৈতে আধুনিক Western musical arrangement, rhythm আৰু instrumentation-ৰ এক অভিনৱ সংমিশ্ৰণ তেওঁৰ সংগীতত দেখা গৈছিল। এফালে আছিল অসমৰ মাটিৰ গোন্ধ, লোকসংগীতৰ আত্মা আৰু অসমীয়া সাংস্কৃতিক পৰিচয়; আনফালে আছিল আধুনিক সংগীতৰ স্পন্দন। এই দুয়োটাক একেলগে লৈ জুবিনে এনে এক সংগীতৰ ধাৰা আগবঢ়াইছিল, যিটো সেই সময়ৰ বহু যুৱকৰ বাবে আছিল এক নতুন অভিজ্ঞতা। তেওঁ পশ্চিমীয়া সংগীতক কেৱল অনুকৰণ কৰা নাছিল; আধুনিক সংগীতৰ বিভিন্ন উপাদানক অসমীয়া সুৰ আৰু নিজৰ সাংস্কৃতিক শিপাৰ সৈতে মিলাই এক স্বকীয় fusion sound গঢ়ি তুলিছিল। ফলত তেওঁৰ সংগীত একে সময়তে আধুনিকো আছিল আৰু গভীৰভাৱে অসমীয়াও আছিল। এই নতুন সংগীত-ধাৰাই অসমীয়া যুৱসমাজৰ সংগীতৰ ৰুচিতো পৰিৱৰ্তন আনিছিল। তেওঁ দেখুৱাই দিলে যে নিজৰ ভাষা আৰু পৰম্পৰাগত সংগীতক আধুনিক beat, guitar, keyboard, drum আৰু contemporary arrangement-ৰ সৈতে মিলাইও শক্তিশালী আৰু জনপ্ৰিয় সংগীত সৃষ্টি কৰিব পাৰি। সেই অৰ্থত 'অনামিকা' কেৱল এটা এলবাম নাছিল; ই অসমীয়া আধুনিক সংগীতৰ এক নতুন অধ্যায়ৰ প্ৰতীক হৈ পৰিছিল।

জুবিন গাৰ্গৰ ব্যক্তিত্বৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ আছিল তেওঁৰ মানৱতাবাদী আৰু ধৰ্মনিৰপেক্ষ মনোভাৱ। সকলো ধৰ্মৰ মানুহৰ প্ৰতি তেওঁৰ সন্মান আছিল। ধৰ্ম, জাতি বা পৰিচয়ৰ ভিন্নতাই মানুহৰ মাজত বিভাজন সৃষ্টি নকৰি পাৰস্পৰিক সন্মান, সহমৰ্মিতা আৰু সম্প্ৰীতি বৃদ্ধি কৰিব লাগে-এই মানসিকতা তেওঁৰ চিন্তা আৰু আচৰণত বিভিন্ন সময়ত প্ৰতিফলিত হৈছিল। তেওঁ জাত-পাত, উচ্চ-নীচ আৰু বৈষম্যমূলক চিন্তাধাৰাৰ পৰা আঁতৰি মানুহক প্ৰথমে মানুহ হিচাপেই চোৱাৰ এক মানসিকতা আগবঢ়াইছিল। সমাজত সকলো মানুহে সন্মান আৰু সুযোগ লাভ কৰিব লাগে-এই আকাংক্ষা তেওঁৰ সমাজমুখী চিন্তাৰ অন্যতম অংশ আছিল। কিন্তু জুবিন গাৰ্গক কেৱল মানুহৰ সমতাৰ কথা কোৱাৰ বাবে কমিউনিষ্ট বুলি অভিহিত কৰাটো যথাযথ নহয়। সমতা,

( চৈধ্য পৃষ্ঠাত চাওক)

# যন্ত্ৰণা



ৰিমী হাজৰিকা, মাজুলী

কিমান অসুৰক্ষিত! কিমান কষ্টকৰ নাৰীৰ জীৱন-এৰা! ইমান সহজ নে নাৰী হোৱা? ইমান সস্তীয়া নে নাৰীৰ জীৱন? নে নাৰী কেৱল উপভোগৰ পণ্য মাত্ৰ...

এই প্ৰশ্ন কেৱল মোৰ নহয়; এই প্ৰশ্ন প্ৰতিগৰাকী নাৰীৰ, প্ৰতিগৰাকী মাতৃৰ, প্ৰতিগৰাকী ভগ্নীৰ, প্ৰতিগৰাকী কন্যাৰ। এই প্ৰশ্ন সেই সমাজৰ প্ৰতি, যি সমাজে নাৰীক সন্মান কৰাৰ কথা কয়, অথচ সেই একেখন সমাজতেই নাৰীয়ে প্ৰতিদিনে নিজৰ অস্তিত্ব আৰু সুৰক্ষাৰ বাবে যুঁজ দিবলগীয়া হয়।

মহাকাব্যৰ দিনৰে পৰা আজিলৈকে ইতিহাসৰ প্ৰতিটো পৃষ্ঠাই নাৰীৰ ওপৰত হোৱা অন্যায়, অবিচাৰ আৰু নিৰ্যাতনৰ অসংখ্য কাহিনী কঢ়িয়াই লৈ ফুৰিছে। যুগ সলনি হৈছে, সমাজ সলনি হৈছে, মানুহে বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰত অভূতপূৰ্ব উন্নতি সাধন কৰিছে; কিন্তু নাৰীৰ প্ৰতি মানুহৰ মানসিকতাৰ বহু অন্ধকাৰ কোণ আজিও যেন সলনি হোৱা নাই।

কিন্তু কিয়? এই 'কিয়'-টোৰ উত্তৰ বিচাৰি নাৰী সমাজে আৰু কিমান দিন হাবাথুৰি খাব লাগিব? কিয় আজিও নাৰীয়ে নিজৰ অধিকাৰ বিচাৰি মাত মাতিবলগীয়া হয়? কিয় এগৰাকী নাৰীয়ে নিজৰ ইচ্ছামতে, নিজৰ পছন্দমতে, নিজৰ সন্মান অটুট ৰাখি জীৱনটো জীয়াই থকাৰ অধিকাৰৰ বাবে যুঁজিবলগীয়া হয়? নাৰীৰ নিজৰ কোনো স্বকীয়তা নাই নেকি? নাৰীৰ জীৱনৰ মূল্য কিয় আন কাৰোবাৰ সুবিধা আৰু ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব?

পুৱাৰ পৰা সন্ধিয়ালৈকে সংবাদ মাধ্যমৰ পৃষ্ঠাত নাৰীৰ ওপৰত হোৱা নিৰ্যাতনৰ খবৰে ভৰি থাকে। এমাদিমা অৱস্থাৰ পৰা বৃদ্ধালৈকে-বয়সৰ কোনো সীমাই যেন নাৰীক নিৰাপত্তাৰ নিশ্চয়তা দিব পৰা নাই। ঘৰৰ ভিতৰ হওঁক বা বাহিৰ, চিনাকি মানুহ হওঁক বা অচিনাকি-নাৰীৰ সুৰক্ষা আজিও এক গভীৰ প্ৰশ্ন হৈয়ে ৰৈ গৈছে।

কেতিয়াবা এগৰাকী কন্যাৰ নিৰাপত্তাৰ বাবে পিতৃ-মাতৃ চিন্তিত হয়, কেতিয়াবা এগৰাকী মাতৃয়ে নিজৰ সন্তানক লৈ শংকিত হয়, আকৌ কেতিয়াবা এগৰাকী নাৰীয়ে নিজেই নিজৰ অস্তিত্বক লৈ ভয় খাবলগীয়া হয়। এয়া কেনেধৰণৰ সমাজ? যিখন সমাজত এগৰাকী নাৰীয়ে মুক্তভাৱে খোজ-কাঢ়িবলৈও বহু সময়ত ভাবিবলগীয়া হয়!

আচলতে সমস্যাটো কেৱল অপৰাধৰ নহয়; সমস্যাটো হৈছে মানসিকতাৰ। নাৰীক মানুহ হিচাপে নহয়, উপভোগৰ সামগ্ৰী হিচাপে চোৱাৰ সেই মানসিকতা আজিও সমাজৰ কোনো কোনো স্তৰত গভীৰভাৱে শিপাই আছে। নাৰীৰ পোছাক, নাৰীৰ চলন-ফুৰণ, নাৰীৰ কথা-বতৰা-এইবোৰক লৈ প্ৰশ্ন তোলা হয়; কিন্তু অন্যায় কৰা ব্যক্তিজনৰ মানসিকতা আৰু দায়িত্বক লৈ কৰা প্ৰশ্ন বহু সময়ত তল পৰি যায়।

আৰু যেতিয়া কোনো নাৰীৰ ওপৰত অন্যায় সংঘটিত হয়, তেতিয়াও সমাজৰ একাংশই সুধিবলৈ আৰম্ভ কৰে-"তাই ক'ত গৈছিল?", "কি পিন্ধিছিল?", "কিয় তাত আছিল?" কিন্তু কিয় সোধা নহয়-অন্যায় কৰা মানুহজনে কিয় অন্যায় কৰিলে?

এগৰাকী নাৰীৰ পোছাক কেতিয়াও কোনো অপৰাধৰ কাৰণ হ'ব নোৱাৰে। এগৰাকী নাৰীৰ স্বাধীনতা কাৰো ওপৰত অন্যায় কৰাৰ অনুমতি নহয়, কিন্তু সেই স্বাধীনতাই তেওঁৰ বিৰুদ্ধে অন্যায় কৰাৰো কোনো অজুহাত হ'ব নোৱাৰে।

আমি প্ৰায়ে কওঁ-"নাৰীক সন্মান কৰক।" কিন্তু নাৰীক কেৱল সন্মানৰ কথাৰে নহয়, সমান অধিকাৰ, স্বাধীনতা আৰু নিৰাপত্তাৰ জৰিয়তেহে প্ৰকৃত সন্মান দিব পাৰি। নাৰীক ৰক্ষা কৰাৰ নামত তেওঁৰ স্বাধীনতাক সীমাবদ্ধ কৰি ৰখা সমাধান নহয়। সমাধান হৈছে এনে এখন সমাজ গঢ়ি তোলা, য'ত নাৰীয়ে নিজকে ৰক্ষা কৰিবলৈ নহয়, নিজৰ সপোন পূৰণ কৰিবলৈ আগবাঢ়িব পাৰে।

আইন আছে, শাস্তিৰ ব্যৱস্থা আছে, নাৰী সুৰক্ষাৰ বাবে বিভিন্ন আঁচনি আৰু ব্যৱস্থাও আছে। তথাপি অপৰাধৰ ঘটনা সম্পূৰ্ণৰূপে ৰোধ কৰিব পৰা হোৱা নাই। সেয়েহে কেৱল আইন কঠোৰ কৰিলেই নহ'ব; সলনি কৰিব লাগিব আমাৰ চিন্তা, আমাৰ শিক্ষা, আমাৰ সামাজিক মূল্যবোধ।

ঘৰৰ পৰাই আৰম্ভ হ'ব লাগিব এই পৰিৱৰ্তন। সন্তানক সৰুৰে পৰা শিকাব লাগিব-নাৰী কোনো দুৰ্বল সত্তা নহয়, নাৰী কোনো পণ্য নহয়, নাৰী কোনো কাৰোবাৰ সম্পত্তি নহয়। নাৰী হৈছে এগৰাকী সম্পূৰ্ণ মানুহ, যাৰ আছে নিজৰ মত, নিজৰ সপোন, নিজৰ অধিকাৰ আৰু নিজৰ আত্মসন্মান।

এখন সভ্য সমাজৰ পৰিচয় কেৱল তাৰ সুউচ্চ অট্টালিকা, উন্নত প্ৰযুক্তি অথবা অৰ্থনৈতিক সমৃদ্ধিৰে নহয়; সেই সমাজত এগৰাকী নাৰী কিমান সুৰক্ষিত, কিমান স্বাধীন আৰু কিমান সন্মানিত-তাৰ পৰাও সভ্যতাৰ পৰিচয় পোৱা যায়।

সেয়েহে নাৰীৰ সুৰক্ষা কেৱল নাৰীৰ সমস্যা নহয়; ই সমগ্ৰ সমাজৰ সমস্যা। নাৰীৰ ওপৰত হোৱা অন্যায়ৰ বিৰুদ্ধে মাত মতা মানে কেৱল নাৰীৰ পক্ষ লোৱা নহয়-ই মানৱতাৰ পক্ষ লোৱা।

আমি এনে এখন সমাজ বিচাৰোঁ, য'ত এগৰাকী কন্যাই জন্ম লোৱাৰ পিছত মাক-দেউতাকে তেওঁৰ ভৱিষ্যতক লৈ ভয় নকৰে; য'ত এগৰাকী ছোৱালীয়ে সন্ধিয়াৰ পিছত ঘৰৰ বাহিৰলৈ ওলাবলৈ আতংকিত নহয়; য'ত এগৰাকী নাৰীয়ে নিজৰ সপোন পূৰণ কৰিবলৈ কাৰো অনুমতি বিচাৰিব নালাগে; আৰু য'ত নাৰীৰ অস্তিত্বৰ মূল্য তেওঁৰ সৌন্দৰ্য, শৰীৰ বা আন কাৰোবাৰ দৃষ্টিভংগীৰে নিৰ্ধাৰিত নহয়।

নাৰী কোনো পণ্য নহয়। নাৰী কোনো ভোগৰ সামগ্ৰী নহয়। নাৰী হৈছে জীৱনৰ সৃষ্টিশক্তি, সমাজৰ আধা অংশ আৰু মানৱতাৰ এক অবিচ্ছেদ্য সত্তা।

তথাপি এটা প্ৰশ্ন আজিও ৰৈ যায়- কেতিয়া শেষ হ'ব এই যন্ত্ৰণা?

উত্তৰ হয়তো এদিনতে দিয়া অসম্ভৱ। কিন্তু যিদিনা সমাজে নাৰীক 'সুৰক্ষা দিবলগীয়া দুৰ্বল সত্তা' হিচাপে নহয়, সমান অধিকাৰ আৰু সন্মানৰ অধিকাৰী এগৰাকী মানুহ হিচাপে চাবলৈ শিকিব-সেইদিনাই হয়তো এই যন্ত্ৰণাৰ অন্তৰ আৰম্ভণি হ'ব।

আৰু সেই পৰিৱৰ্তনৰ অপেক্ষাত নাথাকি, পৰিৱৰ্তন আমি আজিৰ পৰাই আৰম্ভ কৰোঁ আহক।

# জুবিন গাৰ্গঃ অসম, সমাজ আৰু এক বিশ্বজনীন চিন্তাৰ সুৰ

সামাজিক ন্যায় বা শোষিত-পিছপৰা মানুহৰ প্ৰতি সংবেদনশীলতা কোনো এটা ৰাজনৈতিক মতবাদৰ একচেটিয়া বৈশিষ্ট্য নহয়। তেওঁৰ সমাজমুখী চিন্তাক অধিক সঠিকভাৱে এজন মানৱতাবাদী, ধৰ্মনিৰপেক্ষ, সমতাবাদী আৰু সমাজসচেতন শিল্পীৰ দৃষ্টিভংগী হিচাপে বুজিব পাৰি। তেওঁ আধুনিক আছিল, কিন্তু নিজৰ শিপাৰ পৰা বিচ্ছিন্ন নাছিল; সমাজমুখী আছিল, কিন্তু কোনো এটা ৰাজনৈতিক মতবাদৰ সীমাৰ ভিতৰত নিজকে আবদ্ধ কৰা শিল্পী নাছিল।

জুবিনৰ মানৱতাবাদ কেৱল গীত বা বক্তব্যৰ মাজতে সীমাবদ্ধ নাছিল। মানুহৰ বিপদৰ সময়ত মানুহৰ কাষত থিয় দিয়াটোও তেওঁৰ ব্যক্তিত্বৰ এক উল্লেখযোগ্য দিশ আছিল। বিশেষকৈ অসমৰ বানপানীৰ সময়ত তেওঁৰ এই মানৱীয় ৰূপ বহুতে দেখিবলৈ পাইছিল। কলাগুৰু ফাউণ্ডেচনৰ বেনাৰত বানপানী-পীড়িত লোকৰ বাবে দান-বৰঙণি সংগ্ৰহ আৰু সাহায্য আগবঢ়োৱাৰ কামতো তেওঁ জড়িত আছিল। বানপানীয়ে ঘৰ-বাৰী, জীৱিকা আৰু সম্পত্তি হেৰুৱাই পেলোৱা মানুহৰ কাষত থিয় দি তেওঁ যেন দেখুৱাইছিল-এজন শিল্পীৰ সামাজিক দায়বদ্ধতা কেৱল মঞ্চত গান গোৱাতে শেষ নহয়। তেওঁৰ মমতা কেৱল মানুহৰ মাজতে সীমাবদ্ধ নাছিল। জুবিন আছিল প্ৰকৃতিপ্ৰেমী আৰু জীৱ-জন্তুৰ প্ৰতি সংবেদনশীল ব্যক্তি। কুকুৰ, মেকুৰী, বান্দৰ, বগলী আৰু বিভিন্ন চৰাই-চিৰিকটিৰ প্ৰতি তেওঁৰ মৰমৰ কথাও বহু সময়ত উল্লেখ কৰা হৈছে। অসমৰ বনাঞ্চল ধ্বংস, deforestation আৰু প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ প্ৰতিও তেওঁৰ সচেতনতা আছিল। অসমৰ সেউজীয়া পৰিৱেশ, বনাঞ্চল আৰু প্ৰাকৃতিক সম্পদ ৰক্ষা কৰাটো যে সমাজৰ সামূহিক দায়িত্ব-এই উপলব্ধি তেওঁৰ প্ৰকৃতিপ্ৰেমী চিন্তাৰ সৈতে সামঞ্জস্যপূৰ্ণ। সেই অৰ্থত জুবিনৰ মানৱতাবাদৰ পৰিসৰ কেৱল মানুহৰ মাজতে সীমাবদ্ধ নাছিল; মানুহ, জীৱ-জন্তু, চৰাই-চিৰিকটি আৰু প্ৰকৃতি-সকলোকে লৈ এক বহল আৰু সংবেদনশীল জীৱনদৰ্শন তেওঁৰ ব্যক্তিত্বত দেখা যায়।

জুবিন গাৰ্গৰ সামাজিক সংবেদনশীলতাক বুজিবলৈ ১৯৯০ৰ দশকৰ অসমৰ অশান্ত আৰু ৰাজনৈতিকভাৱে অস্থিৰ সময়ছোৱাও গুৰুত্বপূৰ্ণ। সেই সময়ৰ হিংসা, অনিশ্চয়তা, সংঘাত আৰু সাধাৰণ মানুহৰ জীৱনত পৰা প্ৰভাৱৰ প্ৰতি তেওঁ সংবেদনশীল আছিল। তেওঁৰ আৰম্ভণিৰ সৃষ্টিসমূহৰ কিছুমানত সেই সময়ৰ সামাজিক পৰিৱেশ, যুৱসমাজৰ অস্থিৰতা আৰু অসমৰ মানুহৰ অন্তৰ্জগতৰ যন্ত্ৰণাৰ প্ৰতিফলন অনুভৱ কৰিব পাৰি। 'মুক্তি', 'শিশু' আদি গীত আৰু সেই সময়ৰ সৃষ্টিসমূহৰ মাজেৰে তেওঁৰ সামাজিক উদ্বেগ আৰু মানুহৰ প্ৰতি থকা দায়বদ্ধতাৰ আভাস পোৱা যায়। অসমৰ অশান্ত পৰিস্থিতিৰ মাজত জুবিনে হিংসাৰ পৰিৱৰ্তে শান্তি, সংলাপ আৰু মূলসুঁতিলৈ ঘূৰি অহাৰ প্ৰয়োজনীয়তাৰ কথা বিভিন্ন সময়ত প্ৰকাশ কৰিছিল। ULFA আৰু অন্যান্য উগ্ৰপন্থী সংগঠনৰ সৈতে জড়িত যুৱকসকলকো হিংসাৰ পথ এৰি মূলসুঁতিলৈ উভতি আহি অসমৰ শান্তি আৰু ভৱিষ্যতৰ বাবে কাম কৰাৰ আহ্বান জনোৱাৰ ক্ষেত্ৰত তেওঁৰ কণ্ঠ শুনা গৈছিল। ইয়াত তেওঁৰ চিন্তাধাৰাৰ এটা গুৰুত্বপূৰ্ণ দিশ প্ৰকাশ পায়- তেওঁ সংঘাতক কেৱল "আমাৰ" আৰু "তেওঁলোকৰ" বুলি ভাগ কৰি চাব বিচৰা নাছিল; সংঘাতৰ আঁৰত থকা মানুহজনক বুজিবলৈ চেষ্টা কৰা আৰু অসমৰ ভৱিষ্যতৰ বাবে শান্তিপূৰ্ণ সমাধান বিচৰাই যেন আছিল তেওঁৰ অধিক আকাংক্ষিত পথ।

আগলৈ....